দ্বিতীয় খণ্ড

প্ৰথম অধ্যায়

# পদ (Term)

## 2.1.1. ভূমিকা ঃ

তৰ্কবিজ্ঞান সাধাৰণতে অনুমানৰ বিজ্ঞান বুলি অভিহিত কৰা হয়। অনুমানক যেতিয়া ভাষাৰ মাধ্যমত প্ৰকাশ কৰা হয়, তেতিয়া তাক যুক্তি বোলে। কিন্তু যুক্তি বা অনুমানৰ আলোচনা কৰোঁতে কিছুমান আনুষংগিক বিষয়ৰ আলোচনা, যেনে— বচন আৰু তাৰ বিভিন্ন অংশ, সংজ্ঞা, বিভাজন আদিৰ আলোচনা তৰ্কবিজ্ঞানৰ আলোচনাৰ অন্তৰ্ভুক্ত হৈ পৰে। প্ৰত্যেক যুক্তি কিছুমান বচনৰ দ্বাৰা গঠিত। প্ৰত্যেক বচন আকৌ দুটা পদৰ দ্বাৰা গঠিত। গতিকে দুটা পদৰ মাজত থকা সম্বন্ধৰ উক্তিয়েই হৈছে বচন।

কোনো এটা বচন বিশ্লেষণ কৰিলে তিনিটা অংশ পোৱা যায়। এই অংশ তিনিটা হ'ল— উদ্দেশ্য, সংযোজক আৰু বিধেয়।

বচনত যাৰ বিষয়ে কিবা কোৱা হয় অৰ্থাৎ স্বীকাৰ বা অস্বীকাৰ কৰা হয় তাক উদ্দেশ্য বোলে।

উদ্দেশ্য সম্পৰ্কে যি কোৱা হয় অৰ্থাৎ স্বীকাৰ বা অস্বীকাৰ কৰা হয় তাক বিধেয় বোলে।

উদ্দেশ্য আৰু বিধেয়ৰ মাজত থকা সম্বন্ধসূচক শব্দক সংযোজক বোলে। উদাহৰণ স্বৰূপে 'গোলাপ ফুল হয় ৰঙা'— এই বচনটোত 'গোলাপ ফুল' হৈছে উদ্দেশ্য, 'হয়' সংযোজক আৰু 'ৰঙা' বিধেয়। বচনৰ 'উদ্দেশ্য' আৰু 'বিধেয়' প্ৰত্যেকেই একো একোটা পদ। 'সংযোজক' পদ নহয়।

এতিয়া পদ কাক কয় আমি তাকে আলোচনা কৰিম।

## 2.1.2. পদ (Term) ঃ

যি শব্দ বা শব্দসমষ্টি আন কোনো শব্দৰ সহায় নোলোৱাকৈ নিজে নিজে কোনো বচনৰ উদ্দেশ্য নাইবা বিধেয় ৰূপে ব্যৱহৃত হয় তাকে পদ বোলে।

(A term is a word or a group of words which by itself is used as the subject or the predicate of a logical proposition)

উদাহৰণস্বৰূপে কাণ্ট হয় দাৰ্শনিক— এই বচনটোত 'কাণ্ট' হ'ল 'উদ্দেশ্য' আৰু দাৰ্শনিক হ'ল 'বিধেয়'। 'কাণ্ট' আৰু 'দাৰ্শনিক' এই দুয়োটা শব্দই আন শব্দৰ সহায় নোলোৱাকৈ বচনৰ উদ্দেশ্য আৰু বিধেয় ৰূপে ব্যৱহৃত হৈছে। গতিকে দুয়োটাই পদ।

এটা পদ কেতিয়াবা এটা শব্দৰ দ্বাৰা গঠিত হ'ব পাৰে আৰু কেতিয়াবা এটাতকৈ অধিক শব্দৰ

দ্বাৰা গঠিত হ'ব পাৰে। উদাহৰণস্বৰূপে— হিমালয় হয় পৃথিৱীৰ সৰ্বোচ্চ পৰ্বত— এই বচনটোত 'হিমালয়' হৈছে উদ্দেশ্য পদ আৰু 'পৃথিৱীৰ সৰ্বোচ্চ পৰ্বত' হৈছে বিধেয়। হিমালয় হৈছে এটা শব্দৰ দ্বাৰা গঠিত আৰু পৃথিৱীৰ সৰ্বোচ্চ পৰ্বত হৈছে এটাতকৈ অধিক শব্দৰ দ্বাৰা গঠিত পদ।

কিছুমান তৰ্কবিদে 'পদ' শব্দক ব্যাপক অৰ্থত ব্যৱহাৰ কৰে। তেওঁলোকৰ মতে যি শব্দ বা শব্দ সমষ্টি বচনৰ উদ্দেশ্য নাইবা বিধেয় ৰূপে ব্যৱহৃত হ'ব পাৰে, সেইবোৰকেই পদ বোলে। অৰ্থাৎ তেওঁলোকৰ মতে যি শব্দ বা শব্দ সমষ্টি আন কোনো শব্দৰ সহায় নোলোৱাকৈ নিজে নিজে কোনো বচনৰ উদ্দেশ্য নাইবা বিধেয় হ'ব পাৰে, সেই শব্দ বা শব্দ সমষ্টিকেই পদ বোলে। কিন্তু পদৰ এই ব্যাপক অৰ্থৰ সংজ্ঞা যুক্তিযুক্ত নহয়। কিছুমান তৰ্কশাস্ত্ৰবিদে তেনেকুৱা শব্দ বা শব্দ সমষ্টিক 'সম্ভাব্য পদ' বুলি ক'ব বিচাৰে।

## 2.1.3. শব্দ আৰু পদ (Word and Term) ঃ

অৰ্থযুক্ত বৰ্ণ বা বৰ্ণ সমষ্টিক শব্দ বোলে। অৰ্থযুক্ত কোনো এটা বৰ্ণও শব্দ হ'ব পাৰে অথবা অৰ্থযুক্ত এটাতকৈ অধিক বৰ্ণৰ সমষ্টিও শব্দ হ'ব পাৰে। যেনে— সি, হৰি, মানুহ আদি। ইয়াৰ প্ৰত্যেকটো ক্ষেত্ৰতেই এটা নাইবা এটাতকৈ অধিক বৰ্ণ লগ লাগি একো একোটা অৰ্থ প্ৰকাশ কৰিছে। মুঠতে কোনো এটা বৰ্ণ বা এটাতকৈ অধিক বৰ্ণ লগলাগি কোনো এটা সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰে তেতিয়া তাক শব্দ বোলে।

আনহাতে, যেতিয়া কোনো শব্দ বা শব্দ সমষ্টি বচনৰ উদ্দেশ্য নাইবা বিধেয়ৰূপে ব্যৱহৃত হয়, তেতিয়া তাক পদ বোলে। পদ এটা শব্দৰ দ্বাৰাও গঠিত হ'ব পাৰে নাইবা এটাতকৈ অধিক শব্দৰ দ্বাৰাও গঠিত হ'ব পাৰে। মুঠতে পদ হ'বলৈ হ'লে প্ৰথমতে, শব্দ বা শব্দ সমষ্টি হ'ব লাগিব আৰু দ্বিতীয়তে, সেই শব্দ বা শব্দ সমষ্টি বচনৰ উদ্দেশ্য নাইবা বিধেয়ৰূপে ব্যৱহৃত হ'ব লাগিব। যেনে— হৰি হয় এজন জ্ঞানী ল'ৰা— ইয়াত 'হৰি' শব্দটো হ'ল উদ্দেশ্য আৰু 'এজন জ্ঞানী ল'ৰা' এই শব্দ সমষ্টি হ'ল বিধেয়।

ওপৰৰ আলোচনাৰ পৰা বুজিব পাৰি যে সকলো পদ এটা বা এটাতকৈ অধিক শব্দৰে গঠিত হয়। অৰ্থাৎ সকলো পদেই শব্দ বা শব্দ সমষ্টি। কিন্তু, যিকোনো শব্দ বা শব্দ সমষ্টি বচনৰ উদ্দেশ্য বা বিধেয়ৰূপে ব্যৱহৃত নহয়। যিবোৰ শব্দ বা শব্দ সমষ্টি বচনৰ উদ্দেশ্য নাইবা বিধেয়ৰূপে ব্যৱহৃত হ'ব পাৰে, কিন্তু হোৱা নাই আৰু যিবোৰ শব্দ বা শব্দ সমষ্টি কেতিয়াও বচনৰ উদ্দেশ্য নাইবা বিধেয়ৰূপে ব্যৱহৃত হ'ব নোৱাৰে সেইবোৰ শব্দ বা শব্দ সমষ্টি কেতিয়াও পদ বুলি পৰিগণিত নহয়।

গতিকে দেখা যায় সকলো পদেই শব্দ বা শব্দসমষ্টি, কিন্তু সকলো শব্দ বা শব্দ সমষ্টি পদ নহয়।

## 2.1.4 পদৰ বাচ্যাৰ্থ আৰু লক্ষণাৰ্থ (Denotation and Connotation of terms) ঃ

কোনো এটা পদে যি বিষয়ক নিৰ্দেশ কৰে সেই বিষয়টোৱেই পদটোৰ অৰ্থ। পদৰ অৰ্থ দুই প্ৰকাৰৰ হ'ব পাৰে— পৰিমাণগত আৰু গুণগত।

পদৰ পৰিমাণগত অৰ্থ অৰ্থাৎ যি বস্তু বা বস্তু সমষ্টিক কোনো পদে নিৰ্দেশ কৰে সেয়ে হ'ল পদটোৰ বাচ্যাৰ্থ আৰু পদৰ গুণগত অৰ্থ অৰ্থাৎ এই বস্তু বা বস্তু সমষ্টিৰ সকলোতে নিহিত থকা গুণ বা গুণাৱলীয়েই পদটোৰ লক্ষণাৰ্থ। পদৰ বাচ্যাৰ্থই বস্তুক নিৰ্দেশ কৰে আৰু লক্ষণাৰ্থই গুণক নিৰ্দেশ কৰে।

**বাচ্যাৰ্থ ঃ** কোনো এটা পদক একে অৰ্থত যি বস্তু বা বস্তুসমূহৰ ক্ষেত্ৰত আৰোপ কৰিব পাৰি, সেই বস্তু বা বস্তুসমূহক পদটোৰ বাচ্যাৰ্থ বোলে। উদাহৰণস্বৰূপে মানুহ পদৰ বাচ্যাৰ্থ 'সকলো মানুহ' কাৰণ 'মানুহ' পদটো সকলো মানুহৰ ক্ষেত্ৰতেই প্ৰয়োগ কৰিব পাৰি।

**লক্ষণাৰ্থ ঃ** কোনো এটা পদে সেই পদটোৱে বুজোৱা বস্তু বা বস্তুসমূহৰ মাজত থকা যি সাধাৰণ আৰু মৌলিক গুণ বা গুণাৱলীক নিৰ্দেশ কৰে, সেই গুণ বা গুণাৱলীকেই পদটোৰ লক্ষণাৰ্থ বোলে। উদাহৰণস্বৰূপে— 'মানুহ' পদৰ লক্ষণাৰ্থ হ'ল 'প্ৰাণীবৃত্তি' আৰু 'বুদ্ধিবৃত্তি'। কাৰণ এই দুটা মানুহৰ সাধাৰণ আৰু মৌলিক গুণ। 'মানুহ' পদে এই শব্দটোৱে বুজোৱা সকলো মানুহৰ গাত থকা সাধাৰণ আৰু মৌলিক গুণ 'প্ৰাণীবৃত্তি' আৰু 'বুদ্ধিবৃত্তিক' নিৰ্দেশ কৰে।

গতিকে দেখা যায় যে কোনো এটা পদৰ বাচ্যাৰ্থই বস্তু বা বস্তুসমূহক নিৰ্দেশ কৰে আৰু লক্ষণাৰ্থই সেই বস্তু বা বস্তুসমূহৰ মাজত থকা সাধাৰণ আৰু মৌলিক গুণক বা গুণাৱলীক নিৰ্দেশ দিয়ে।

## 2.1.5 বাচ্যাৰ্থ আৰু লক্ষণাৰ্থৰ সম্বন্ধ ঃ

পদৰ বাচ্যাৰ্থ আৰু লক্ষণাৰ্থ একেটা পদৰেই দুটা দিশ। গতিকে দুয়োৰে মাজত সম্বন্ধ অতি ঘনিষ্ঠ। এই সম্বন্ধক তৰ্কবিদসকলে বিপৰীতমুখী বুলি উল্লেখ কৰে। অৰ্থাৎ পদৰ বাচ্যাৰ্থ আৰু লক্ষণাৰ্থৰ হ্ৰাস-বৃদ্ধি সদায় বিপৰীতমুখী।

গণিত শাস্ত্ৰ মতে, পৰিৱৰ্তন দুই প্ৰকাৰৰ হ'ব পাৰে। যেনে— (1) একেমুখী পৰিৱৰ্তন (Direct Variation) আৰু (2) বিপৰীতমুখী পৰিৱৰ্তন (Inverse Variation)।

কোনো কাৰণবশতঃ যদি দুটা বস্তু একে দিশত পৰিৱৰ্তিত হয়, তেনেহ'লে বস্তু দুটাৰ মাজৰ সম্বন্ধক একেমুখী পৰিৱৰ্তনৰ সম্বন্ধ বোলে। আকৌ, যদি বস্তু দুটা পৰস্পৰ বিপৰীত দিশত পৰিৱৰ্তিত হয়, তেনেহ'লে বস্তু দুটাৰ মাজৰ সম্বন্ধক বিপৰীতমুখী সম্বন্ধ বোলে।

পদৰ বাচ্যাৰ্থ আৰু লক্ষণাৰ্থৰ সম্বন্ধও বিপৰীতমুখী পৰিৱৰ্তনৰ সম্বন্ধ। অৰ্থাৎ পদৰ বাচ্যাৰ্থ আৰু লক্ষণাৰ্থৰ হ্ৰাস-বৃদ্ধি পৰস্পৰ বিপৰীতমুখে হয়। পদৰ বাচ্যাৰ্থ আৰু লক্ষণাৰ্থৰ মাজৰ বিপৰীতমুখী পৰিৱৰ্তনৰ এই সম্বন্ধক তৰ্কশাস্ত্ৰবিদসকলে চাৰিটা নিয়মৰ মাজেৰে প্ৰকাশ কৰিছে।

(1) পদৰ বাচ্যাৰ্থ বাঢ়িলে লক্ষণাৰ্থ কমে।

(2) পদৰ বাচ্যাৰ্থ কমিলে লক্ষণাৰ্থ বাঢ়ে।

(3) পদৰ লক্ষণাৰ্থ বাঢ়িলে বাচ্যাৰ্থ কমে।

(4) পদৰ লক্ষণাৰ্থ কমিলে বাচ্যাৰ্থ বাঢ়ে।

**(1) পদৰ বাচ্যাৰ্থ বাঢ়িলে লক্ষণাৰ্থ কমে ঃ**

'মানুহ' পদৰ বাচ্যাৰ্থ 'সকলো মানুহ' আৰু লক্ষণাৰ্থ 'প্ৰাণীবৃত্তি আৰু বুদ্ধিবৃত্তি'। এতিয়া মানুহ পদৰ বাচ্যাৰ্থৰ লগত যদি আন আন প্ৰাণীকো যোগ দিয়া যায় তেনেহ'লে বাচ্যাৰ্থ বাঢ়ি গৈ 'সকলো প্ৰাণী' হ'ব আৰু আনফালে লক্ষণাৰ্থ কমি গৈ অকল 'প্ৰাণী বৃত্তি'হে হ'ব।

| **পদ** | **বাচ্যাৰ্থ** | **লক্ষণাৰ্থ** |
|---|---|---|
| মানুহ | সকলো মানুহ | প্ৰাণীবৃত্তি+বুদ্ধিবৃত্তি |
| প্ৰাণী | সকলো প্ৰাণী | প্ৰাণীবৃত্তি |

গতিকে দেখা যায় পদৰ বাচ্যাৰ্থ বাঢ়িলে লক্ষণাৰ্থ কমে।

**(2) পদৰ বাচ্যাৰ্থ কমিলে লক্ষণাৰ্থ বাঢ়ে ঃ**

'মানুহ' পদৰ বাচ্যাৰ্থ, 'সকলো মানুহ' আৰু লক্ষণাৰ্থ 'প্ৰাণীবৃত্তি আৰু বুদ্ধিবৃত্তি'। এতিয়া সকলো মানুহৰ পৰা যদি অসাধু মানুহবোৰক বাদ দিয়া যায় তেনেহ'লে অকল সাধু মানুহবোৰহে ৰ'বগৈ আৰু তাৰ ফলত বাচ্যাৰ্থ কমি গৈ 'সকলো সাধু মানুহ' হ'ব। তেতিয়া মানুহৰ লক্ষণাৰ্থৰ লগত 'সাধুতা' যোগ হোৱাৰ ফলত লক্ষণাৰ্থ বাঢ়ি গৈ প্ৰাণীবৃত্তি, বুদ্ধিবৃত্তি আৰু সাধুতা হ'ব।

| **পদ** | **বাচ্যাৰ্থ** | **লক্ষণাৰ্থ** |
|---|---|---|
| মানুহ | সকলো মানুহ | প্ৰাণীবৃত্তি + বুদ্ধিবৃত্তি |
| সাধু মানুহ | সকলো সাধু মানুহ | প্ৰাণীবৃত্তি + বুদ্ধিবৃত্তি + সাধুতা |

গতিকে দেখা যায় পদৰ বাচ্যাৰ্থ কমিলে লক্ষণাৰ্থ বাঢ়ে।

**(3) পদৰ লক্ষণাৰ্থ বাঢ়িলে বাচ্যাৰ্থ কমে ঃ**

মানুহ পদৰ লক্ষণাৰ্থ হৈছে প্ৰাণীবৃত্তি আৰু বুদ্ধিবৃত্তি আৰু বাচ্যাৰ্থ হৈছে 'সকলো মানুহ'। এতিয়া মানুহৰ লক্ষণাৰ্থৰ লগত যদি নম্ৰতা এই গুণটোক যোগ দিয়া যায় তেনেহ'লে লক্ষণাৰ্থ বাঢ়ি গৈ প্ৰাণীবৃত্তি, বুদ্ধিবৃত্তি আৰু নম্ৰতা হ'ব। আনহাতে, বাচ্যাৰ্থ কমি গৈ 'সকলো নম্ৰ মানুহ হ'ব'।

| **পদ** | **লক্ষণাৰ্থ** | **বাচ্যাৰ্থ** |
|---|---|---|
| মানুহ | প্ৰাণীবৃত্তি + বুদ্ধিবৃত্তি | সকলো মানুহ |
| নম্ৰ মানুহ | প্ৰাণীবৃত্তি + বুদ্ধিবৃত্তি + নম্ৰতা | সকলো নম্ৰ মানুহ |

গতিকে দেখা যায় পদৰ লক্ষণাৰ্থ বাঢ়িলে বাচ্যাৰ্থ কমে।

**(4) পদৰ লক্ষণাৰ্থ কমিলে বাচ্যাৰ্থ বাঢ়ে ঃ**

'মানুহ' পদৰ লক্ষণাৰ্থ 'প্ৰাণীবৃত্তি আৰু বুদ্ধিবৃত্তি' আৰু বাচ্যাৰ্থ 'সকলো মানুহ'। এতিয়া মানুহৰ লক্ষণাৰ্থৰ পৰা যদি বুদ্ধিবৃত্তি গুণটোক বাদ দিয়া যায় তেনেহ'লে লক্ষণাৰ্থ কমি গৈ কেৱল প্ৰাণীবৃত্তিহে হ'ব। তেতিয়া বাচ্যাৰ্থ বাঢ়ি গৈ সকলো প্ৰাণী হ'ব।

| **পদ** | **লক্ষণাৰ্থ** | **বাচ্যাৰ্থ** |
|---|---|---|
| মানুহ | প্ৰাণীবৃত্তি + বুদ্ধিবৃত্তি | সকলো মানুহ |
| প্ৰাণী | প্ৰাণীবৃত্তি | সকলো প্ৰাণী |

গতিকে দেখা যায় পদৰ লক্ষণাৰ্থ কমিলে বাচ্যাৰ্থ বাঢ়ে।

ওপৰৰ আলোচনাৰ পৰা প্ৰমাণিত হয় যে পদৰ বাচ্যাৰ্থ আৰু লক্ষণাৰ্থৰ হ্ৰাস-বৃদ্ধি সদায় বিপৰীতমুখী।

কিন্তু পদৰ বাচ্যাৰ্থ আৰু লক্ষণাৰ্থৰ মাজত বিপৰীতমুখী পৰিৱৰ্তনৰ সম্বন্ধ সকলো ক্ষেত্ৰতে প্ৰযোজ্য নহয়। যেনে—

(1) কোনো পদৰ বাচ্যাৰ্থ আৰু লক্ষণাৰ্থৰ হ্ৰাস-বৃদ্ধিৰ লগে লগে আমি এটা নতুন পদত উপনীত হও। এই পদৰ অন্তৰ্ভুক্ত বস্তুৰ বাচ্যাৰ্থ কম-বেছি হ'লেও সেই পদৰ লক্ষণাৰ্থ একেই থাকে। মৃত্যুৰ ফলত মানুহৰ সংখ্যা কমে আৰু জন্মৰ ফলত বাঢ়ে। কিন্তু মানুহ পদৰ লক্ষণাৰ্থ একে থাকে।

(2) বৈজ্ঞানিক গৱেষণাৰ ফলত কোনো পদৰ লক্ষণাৰ্থ কমি বা বাঢ়ি গ'লেও ইয়াৰ বাচ্যাৰ্থ একেই থাকিব। উদাহৰণস্বৰূপে 'সোণ' পদৰ লক্ষণাৰ্থ কমি বা বাঢ়ি গ'লেও ইয়াৰ বাচ্যাৰ্থ 'সকলো সোণ' একেই থাকিব।

(3) কোনো পদৰ বাচ্যাৰ্থ আৰু লক্ষণাৰ্থৰ হ্ৰাস-বৃদ্ধিৰ ক্ষেত্ৰত কোনো নিৰ্দিষ্ট গাণিতিক অনুপাত নাই।

(4) পদৰ বাচ্যাৰ্থৰ হ্ৰাস-বৃদ্ধিৰ লগত ব্যক্তিগত জ্ঞানৰ সম্বন্ধ নাই। কলম্বাছে আমেৰিকা আৱিষ্কাৰ কৰাৰ ফলত 'মহাদেশ' পদৰ বাচ্যাৰ্থ সম্বন্ধে আমাৰ জ্ঞান বাঢ়িল, কিন্তু লক্ষণাৰ্থৰ ক্ষেত্ৰত 'মহাদেশ' পদৰ কোনো সলনি নহয়।

## 2.1.5 পদৰ শ্ৰেণীবিভাজন (Classification of terms) ঃ

বিভিন্ন নীতি অনুসৰি পদবিলাকক বিভিন্ন শ্ৰেণীত ভাগ কৰা হয়।

### (i) বিশিষ্ট পদ আৰু সামান্য পদ (Singular and General terms) ঃ

যি পদে এটা অৰ্থত মাথোন এটা নিৰ্দিষ্ট বস্তু বা গুণক নিৰ্দেশ কৰে তাক বিশিষ্ট পদ বোলে। যেনে— এই ফুলপাহ। 'এই ফুলপাহ' বুলি ক'লে মাত্ৰ এটা ফুলকে বুজায়। গতিকে, এইটো বিশিষ্ট পদ। সেইদৰে গুৱাহাটী, মাধৱদেৱ, নম্ৰতা, অসমৰ বৰ্তমান শিক্ষামন্ত্ৰী ইত্যাদি।

যি পদে একে অৰ্থত কোনো এটা শ্ৰেণীৰ অন্তৰ্গত অনিৰ্দিষ্ট সংখ্যক বস্তু বা গুণৰ যিকোনো এটাক নিৰ্দেশ কৰে, তাক সামান্য পদ বোলে। যেনে— মানুহ। 'মানুহ' পদৰ দ্বাৰা কোনো এজন বিশিষ্ট মানুহক নুবুজায়। মানুহ শ্ৰেণীৰ অন্তৰ্গত যিকোনো মানুহকেই একেটা অৰ্থত বুজাব পাৰে। কুকুৰ, মেকুৰী, ল'ৰা, ছাত্ৰ আদি পদো সামান্য পদ।

সামান্য পদক জাতিবাচক বা শ্ৰেণীবাচক পদ বুলিও অভিহিত কৰা হয়। কাৰণ, সামান্য পদে কোনো বিশেষ বস্তু বা ব্যক্তি বা গুণক নুবুজাই এটা জাতি বা শ্ৰেণীক বুজাব পাৰে।

বিশিষ্ট পদ আকৌ দুই প্ৰকাৰৰ—

(a) অৰ্থযুক্ত বিশিষ্ট পদ (Significant singular term) আৰু

(b) অৰ্থহীন বিশিষ্ট পদ (Non-significant singular term)।

**(a) অৰ্থযুক্ত বিশিষ্ট পদ ঃ** যি বিশিষ্ট পদে কোনো এটা নিৰ্দিষ্ট বস্তু বা ব্যক্তিক বুজোৱাৰ উপৰিও

সেই বস্তু বা ব্যক্তি বিশেষৰ কোনো গুণৰ নিৰ্দেশ দিয়ে, তাক অৰ্থযুক্ত বিশিষ্ট পদ বোলে। যেনে— 'ভাৰতৰ বৰ্তমান ৰাষ্ট্ৰপতি'। এই পদটোৱে মাত্ৰ এজন নিৰ্দিষ্ট ব্যক্তিকে বুজাইছে বুলি ই এটা বিশিষ্ট পদ। লগতে সেই ব্যক্তিগৰাকী যে ভাৰতৰ বৰ্তমান ৰাষ্ট্ৰপতি— এই বিশেষ গুণৰো ই পৰিচায়ক। গতিকে ই কেৱল বিশিষ্ট পদেই নহয় ই এটা অৰ্থযুক্ত বিশিষ্ট পদ। সেইদৰে কটন মহাবিদ্যালয়ৰ প্ৰথম অধ্যক্ষ, পৃথিৱীৰ সৰ্বোচ্চ শৃংগ, নামঘোষা প্ৰণেতা আদি পদবোৰ অৰ্থযুক্ত বিশিষ্ট পদ।

**(b) অৰ্থহীন বিশিষ্ট পদ ঃ** যি বিশিষ্ট পদ কোনো বস্তু বা ব্যক্তিক অন্যান্য বস্তু বা ব্যক্তিৰ পৰা পৃথককৈ বুজাবৰ বাবে মাত্ৰ ব্যৱহাৰ কৰা হয় আৰু যি বিশিষ্ট পদে সেই বস্তু বা ব্যক্তি বিশেষৰ কোনো বিশেষ গুণৰ নিৰ্দেশ নিদিয়ে তেনে বিশিষ্ট পদক অৰ্থহীন বিশিষ্ট পদ বোলে। যেনে— ৰাহুল, মানস, গুৱাহাটী, যোৰহাট আদি। অৰ্থহীন বিশিষ্ট পদবোৰক নামবাচক বিশেষ্য পদ বুলিও অভিহিত কৰা হয়। অৱশ্যে নামবাচক বিশিষ্ট পদবোৰ সঁচাকৈয়ে অৰ্থহীন হয় নে নহয়— এই বিষয়ত তৰ্কবিজ্ঞানীসকলৰ মাজত মতভেদ আছে।

**(ii) নিৰপেক্ষ পদ আৰু সাপেক্ষ পদ (Absolute and Relative Terms) ঃ**

যি পদৰ অৰ্থ বুজিবলৈ হ'লে আন পদৰ সহায় ল'বলগীয়া নহয় তাক নিৰপেক্ষ পদ বোলে। যেনে— মানুহ, গৰু, কিতাপ, বিদ্যালয় ইত্যাদি।

আনহাতে যি পদৰ অৰ্থ আন কোনো পদৰ সহায়তহে বুজিব পাৰি, নহ'লে পদটো অৰ্থহীন হৈ পৰে, তাক সাপেক্ষ পদ বোলে। যেনে— পিতা-পুত্ৰ, গুৰু-শিষ্য, শিক্ষক-ছাত্ৰ ইত্যাদি। এই পদবোৰৰ ক্ষেত্ৰত দুটা পদ পৰস্পৰ নিৰ্ভৰশীল হয়। এটাৰ লগত আনটোৰ সম্বন্ধৰ যোগেদিয়েই পদ দুটাৰ অৰ্থ বুজা যায়।

**(iii) লক্ষণাৰ্থক আৰু অলক্ষণাৰ্থক পদ (Connotative and Non-connotative terms) ঃ**

যি পদে কোনো বস্তু বা বস্তুসমূহক নিৰ্দেশ কৰাৰ উপৰিও সেই বস্তু বা বস্তুসমূহৰ মাজত থকা সাধাৰণ আৰু মৌলিক গুণকো নিৰ্দেশ কৰে, তাক লক্ষণাৰ্থক পদ বোলে। অৰ্থাৎ যি পদৰ বাচ্যাৰ্থ আৰু লক্ষণাৰ্থ দুয়োটাই থাকে, সেই পদকে লক্ষণাৰ্থক পদ বোলে। যেনে— 'মানুহ'। কাৰণ 'মানুহ' পদৰ বাচ্যাৰ্থ হ'ল 'সকলো মানুহ' আৰু লক্ষণাৰ্থ হ'ল 'প্ৰাণীবৃত্তি আৰু বুদ্ধিবৃত্তি'।

আনহাতে, যি পদে অকল বস্তুকহে নিৰ্দেশ কৰে নাইবা অকল গুণ বা লক্ষণহে বুজায়; কিন্তু বস্তু আৰু গুণ উভয়কে নুবুজায়, তাক অলক্ষণাৰ্থক পদ বোলে। অৰ্থাৎ যি পদৰ অকল বাচ্যাৰ্থ আছে, কিন্তু লক্ষণাৰ্থ নাই, নাইবা যি পদৰ অকল লক্ষণাৰ্থ আছে কিন্তু বাচ্যাৰ্থ নাই তেনে পদক অলক্ষণাৰ্থক পদ বোলে। যেনে— যদু, মধু, চেন্নাই, যোৰহাট আদি পদবোৰে একো একোটা বস্তুৰ নিৰ্দেশ দিয়ে আৰু নম্ৰতা, শুভ্ৰতা আদি পদে একো একোটা গুণক বুজায়। তৰ্কবিদ মিলৰ ভাষাত ক'বলৈ হ'লে অলক্ষণাৰ্থক পদে কেৱল গুণীক ব্যক্ত কৰে বা কেৱল গুণ সূচিত কৰে।

লক্ষণাৰ্থক পদে গুণীক নিৰ্দেশ কৰাৰ লগতে

গুণকো ব্যক্ত কৰে। কিন্তু অলক্ষণাৰ্থক পদে কেৱল গুণীক ব্যক্ত কৰে নাইবা কেৱল গুণ সূচীত কৰে। দুয়োটাকে নহয়।

কিন্তু ওৱেল্টনৰ (Walton) মতে, যি পদৰ কেৱল বাচ্যাৰ্থ আছে অৰ্থাৎ যি পদে কেৱল কোনো বস্তুৰহে নিৰ্দেশ দিয়ে, তাক অলক্ষণাৰ্থক পদ বোলে। অলক্ষণাৰ্থক পদৰ কোনো লক্ষণাৰ্থ নাই। ই কোনো লক্ষণাৰ্থ বা গুণ নুবুজায়।

আন কিছুমানৰ মতে, যি পদৰ বাচ্যাৰ্থ আছে, লক্ষণাৰ্থ নাই তাক অলক্ষণাৰ্থক পদ বোলে। কিন্তু যি পদৰ লক্ষণাৰ্থ আছে, বাচ্যাৰ্থ নাই তাক অলক্ষণাৰ্থক বুলি ক'ব নোৱাৰি। তেওঁলোকে মিলৰ মতবাদৰ সঠিক ব্যাখ্যা হোৱা নাই বুলি ভাবে।

মিলৰ মতে, লক্ষণাৰ্থক পদ চাৰি প্ৰকাৰৰ আৰু অলক্ষণাৰ্থক পদ দুই প্ৰকাৰৰ।

**লক্ষণাৰ্থক পদ ঃ**

(1) বিশেষণীয় পদ; যেনে— ধাৰ্মিক, দীঘল, সাধু।

(2) বস্তুবাচক সামান্য পদ; যেনে— মানুহ, কুকুৰ।

(3) গুণবাচক সামান্য পদ; যেনে— বৰ্ণ, গুণ।

(4) অৰ্থযুক্ত বিশিষ্ট পদ; যেনে— পৃথিৱীৰ সৰ্বোচ্চ শৃংগ, অসমৰ বৰ্তমান শিক্ষামন্ত্ৰী।

মিলে উল্লেখ কৰা এই চাৰি প্ৰকাৰৰ লক্ষণাৰ্থক পদক আন আন তৰ্কবিজ্ঞানীসকলে মাথোন দুই প্ৰকাৰতে সামৰি লয়। এই দুই প্ৰকাৰৰ লক্ষণাৰ্থক পদ হৈছে—

(1) সকলো সামান্য পদ।

(2) অৰ্থযুক্ত বিশিষ্ট পদ।

**অলক্ষণাৰ্থক পদ ঃ**

(1) গুণবাচক বিশিষ্ট পদ; যেনে— শুভ্ৰতা।

(2) নামবাচক বিশেষ্য পদ; যেনে— ৰাহুল, মানস।

## পাঠৰ মূলকথা ঃ

❖ যি শব্দ বা শব্দ সমষ্টি আন কোনো শব্দৰ সহায় নোলোৱাকৈ নিজে নিজে কোনো বচনৰ উদ্দেশ্য নাইবা বিধেয় ৰূপে ব্যৱহৃত হয় তাকে পদ বোলে।

❖ সকলো পদেই শব্দ বা শব্দ সমষ্টি; কিন্তু সকলো শব্দ বা শব্দ সমষ্টি পদ নহয়।

❖ কোনো এটা পদে যি বস্তু বা বস্তুসমূহক নিৰ্দেশ কৰে সেয়ে পদটোৰ বাচ্যাৰ্থ। সেই বস্তু বা বস্তুসমূহৰ মাজত থকা যি সাধাৰণ আৰু মৌলিক গুণ বা গুণীৱলীক নিৰ্দেশ কৰে সেয়ে পদটোৰ লক্ষণাৰ্থ।

❖ পদৰ বাচ্যাৰ্থ আৰু লক্ষণাৰ্থৰ সম্বন্ধ বিপৰীতমুখী।

❖ বিভিন্ন নীতি অনুসৰি পদবোৰক বিভিন্ন শ্ৰেণীত কৰা হয়। (1) বিশিষ্ট আৰু সামান্য পদ, (2) নিৰপেক্ষ আৰু সাপেক্ষ পদ, (3) লক্ষণাৰ্থক আৰু অলক্ষণাৰ্থক পদ আদি।

## অনুশীলনী

**1.** শুদ্ধ উত্তৰ দিয়া ঃ

(a) পদৰ বাচ্যাৰ্থই বস্তুৰ গুণ/ সংখ্যা বুজায়।

(b) অলক্ষণাৰ্থক পদৰ কেৱল বাচ্যাৰ্থ আছে/

লক্ষণাৰ্থ নাই/ বাচ্যাৰ্থ নাই/ বাচ্যাৰ্থ বা লক্ষণাৰ্থ আছে।

(c) পদৰ লক্ষণাৰ্থই গুণক/ বস্তুক বুজায়।

(d) যি পদৰ কেৱল লক্ষণাৰ্থ থাকে, তাক লক্ষণাৰ্থক/ অলক্ষণাৰ্থক পদ বোলে।

(e) পদৰ বাচ্যাৰ্থ আৰু লক্ষণাৰ্থৰ পৰিৱৰ্তন একেমুখী/ বিপৰীতমুখী।

**2.** সংজ্ঞা দিয়া ঃ

(a) পদ।

(b) সামান্য পদ।

(c) বিশিষ্ট পদ।

(d) অৰ্থযুক্ত বিশিষ্ট পদ।

(e) পদৰ বাচ্যাৰ্থ।

(f) পদৰ লক্ষণাৰ্থ।

(g) লক্ষণাৰ্থক পদ।

(h) অলক্ষণাৰ্থক পদ।

**3.** উদাহৰণ দিয়া ঃ

(a) সামান্য পদ।

(b) বিশিষ্ট পদ।

(c) অৰ্থযুক্ত বিশিষ্ট পদ।

**4.** পাৰ্থক্য নিৰ্ণয় কৰা ঃ

(i) শব্দ আৰু পদ।

(ii) লক্ষণাৰ্থক আৰু অলক্ষণাৰ্থক পদ।

(iii) বিশিষ্ট আৰু সামান্য পদ।

(iv) বাচ্যাৰ্থ আৰু লক্ষণাৰ্থ।

**5.** ‘সকলো পদেই শব্দ কিন্তু যিকোনো শব্দ পদ নহয়’— আলোচনা কৰা।

**6.** ‘পদৰ বাচ্যাৰ্থ আৰু লক্ষণাৰ্থৰ সম্বন্ধ বিপৰীতমুখী’ পৰিৱৰ্তনৰ সম্বন্ধ আলোচনা কৰা।

* * *

**দ্বিতীয় অধ্যায়**

# বচন
# (Proposition)

## 2.2.1 বচন ঃ

বচনৰ সংজ্ঞা, গঠন, গুণ, পৰিমাণ, সম্বন্ধ আৰু নিশ্চয়তা অনুসৰি বচনৰ পৌৰাণিক শ্ৰেণীবিভাগ, বচনৰ চতুবৰ্গীয় শ্ৰেণীবিভাগজন। Definition of proposition, structure of proposition, classification of proposition according to quality, quantity, relation and modality. Four fold scheme of propostion– A, E, I, O.

তৰ্কবিজ্ঞানক সাধাৰণতে অনুমানৰ বিজ্ঞান বুলি অভিহিত কৰা হয়। যুক্তি বা অনুমানেই তৰ্কবিজ্ঞানৰ মুখ্য আলোচ্য বিষয়। যুক্তি বা অনুমানৰ বিষয়ে জানিবলৈ যোৱাৰ আগতে কিছুমান আনুষংগিক বিষয় যেনে— বচন, বচনৰ সংজ্ঞা, ইয়াৰ বিভিন্ন অংশ আদিৰ বিষয়েও জানি লোৱা দৰকাৰ। যিহেতু এই আনুষংগিক বিষয়বোৰ অনুমান বা যুক্তিৰ লগত জড়িত হৈ আছে সেয়েহে এইবোৰৰ স্পষ্ট ধাৰণা অবিহনে অনুমান অসম্ভৱ হৈ পৰে।

### অৱধাৰণ আৰু বচন (Judgement and Proposition) ঃ

দুটা প্ৰত্যয় বা ধাৰণাৰ মাজত এটা সম্বন্ধ স্থাপন কৰাৰ মানসিক প্ৰক্ৰিয়াক অৱধাৰণ বোলে। অৱধাৰণ এটা মানসিক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰ দ্বাৰা প্ৰত্যয় বা ধাৰণাৰ (ideas or concepts) মাজত সম্বন্ধ স্থাপন কৰা হয়। যেনে— 'সকলো কাউৰী হয় ক'লা', 'কোনো মানুহ নহয় পূৰ্ণ'। ইয়াত প্ৰথমটোৰ ক্ষেত্ৰত 'কাউৰী' আৰু 'ক'লা' এই দুটা ধাৰণাৰ মাজত এটা সম্বন্ধ স্থাপন কৰা হৈছে অৰ্থাৎ 'ক'লা' এই গুণটোক সকলো কাউৰীৰ ক্ষেত্ৰত স্বীকাৰ কৰা হৈছে আৰু দ্বিতীয়টোৰ ক্ষেত্ৰত 'মানুহ' আৰু 'পূৰ্ণতা' এই দুটা ধাৰণাৰ মাজত সম্বন্ধ স্থাপন কৰা হৈছে। অৰ্থাৎ সকলো মানুহ সম্পৰ্কে পূৰ্ণতা গুণটোক অস্বীকাৰ কৰা হৈছে।

গতিকে দুটা ধাৰণা বা প্ৰত্যয়ৰ মাজত সম্বন্ধ স্থাপন অৰ্থাৎ এটা ধাৰণাক আনটো ধাৰণা সম্বন্ধে স্বীকাৰ বা অস্বীকাৰ কৰাৰ মানসিক প্ৰক্ৰিয়াই অৱধাৰণ। অৱধাৰণ যেতিয়া ভাষাৰ জৰিয়তে প্ৰকাশিত হয় তেতিয়া তাক বচন বোলে।

## 2.2.3 বচনৰ সংজ্ঞা (Definition of Proposition) ঃ

পৰম্পৰাগত তৰ্কবিজ্ঞান বুলিলে ঘাইকৈ আমি এৰিষ্টটল আৰু তেওঁৰ অনুগামীসকলৰ তৰ্কবিজ্ঞানমূলক চিন্তা পদ্ধতি আৰু নীতি-

নিয়মসমূহৰ ওপৰত প্ৰতিষ্ঠিত তৰ্কশাস্ত্ৰকে বুজো। *পৰম্পৰাগত তৰ্কবিজ্ঞানীসকলৰ মতে, বচন হ'ল দুটা পদৰ মাজৰ এক সম্বন্ধৰ উক্তি।*

প্ৰত্যেক বচনতে তিনিটা অংশ থাকে। দুটা পদ আৰু এই পদ দুটাৰ মাজত থকা সম্বন্ধসূচক চিন। বচনৰ এই অংশ তিনিটাক যথাক্ৰমে উদ্দেশ্য, সংযোজক আৰু বিধেয় বোলে। উদাহৰণ স্বৰূপে— 'গাখীৰ হয় বগা'। ইয়াত গাখীৰ আৰু বগা এই পদ দুটাৰ মাজত থকা সম্বন্ধটোক উল্লেখ কৰা হৈছে।

## 2.2.3 বচনৰ গঠন (Structure of Proposition) ঃ

বচন এটা গঠন কৰিবলৈ হ'লে তিনিটা অংশৰ প্ৰয়োজন হয়। উদ্দেশ্য, সংযোজক আৰু বিধেয়। উদ্দেশ্য আৰু বিধেয় এই অংশ দুটাক পদ বুলি কোৱা হয় কিয়নো পদ হ'বলৈ হ'লে বচনত উদ্দেশ্য বা বিধেয়ৰূপে ব্যৱহৃত হ'বই লাগিব। আনহাতে, সংযোজক পদ হ'ব নোৱাৰে কাৰণ সংযোজক কেতিয়াও বচনত উদ্দেশ্য বা বিধেয়ৰূপে ব্যৱহৃত নহয়। সংযোজক হ'ল পদ দুটাৰ মাজৰ সম্বন্ধ উল্লেখ কৰা শব্দ বা চিন।

**উদ্দেশ্য (Subject) ঃ** বচনৰ যি অংশটোৱে কাৰোবাৰ বিষয়ে কোৱা কথাৰ নিৰ্দেশ কৰে তাক উদ্দেশ্য বোলে। অৰ্থাৎ বচনত যি পদ সম্পৰ্কে স্বীকাৰ বা অস্বীকাৰ কৰা হয় তাক উদ্দেশ্য বোলে।

**বিধেয় (Predicate) ঃ** বচনৰ যি অংশটোৱে উদ্দেশ্য সম্বন্ধে নিৰ্দেশ কৰে তাক বিধেয় বোলে। অৰ্থাৎ বচনত উদ্দেশ্য সম্পৰ্কে যি স্বীকাৰ বা অস্বীকাৰ কৰা হয় তাক বিধেয় বোলে।

**সংযোজক (Copula) ঃ** যি শব্দই বচনত উদ্দেশ্য আৰু বিধেয়ৰ সম্বন্ধটো স্থাপন কৰে তাক সংযোজক বোলে। অৰ্থাৎ সংযোজক হ'ল পদ দুটাৰ মাজৰ সম্বন্ধসূচক চিন। উদাহৰণ স্বৰূপে—

(1) কিছুমান মানুহ হয় জ্ঞানী।

(2) কিছুমান মানুহ নহয় জ্ঞানী।

প্ৰথম উদাহৰণটোত মানুহৰ বিষয়ে কোৱা হৈছে, গতিকে বচনটোত ই উদ্দেশ্য পদ। 'জ্ঞানী' বিধেয় পদ কাৰণ উদ্দেশ্য পদ 'কিছুমান মানুহ' সম্পৰ্কে জ্ঞানীৰ কথা স্বীকাৰ কৰা হৈছে। 'হয়' সংযোজক কাৰণ 'হয়' শব্দটোৱে মানুহ আৰু জ্ঞানীৰ মাজত এক সদৰ্থক সম্পৰ্ক স্থাপন কৰিছে।

দ্বিতীয় উদাহৰণটোত 'মানুহ'ৰ বিষয়ে কোৱা হৈছে। গতিকে বচনটোত ই উদ্দেশ্য পদ। 'জ্ঞানী বিধেয় পদ কাৰণ উদ্দেশ্য পদ 'কিছুমান মানুহ' সম্পৰ্কে 'জ্ঞানী' এই বিধেয় পদটোক অস্বীকাৰ কৰা হৈছে। 'নহয়' সংযোজক। 'নহয়' শব্দটোৱে কিছুমান মানুহ আৰু জ্ঞানীৰ মাজত এক নঞৰ্থক সম্পৰ্ক স্থাপন কৰিছে।

## 2.2.4 সংযোজকৰ স্বৰূপ (Nature of Copula) ঃ

বচনত উদ্দেশ্য আৰু বিধেয় পদ দুটাৰ মাজৰ সম্বন্ধ স্থাপন কৰা শব্দটোক সংযোজক বোলে।

তৰ্কবিজ্ঞানত সংযোজকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সংযোজকৰ স্বৰূপ প্ৰসংগত তৰ্কবিদসকলে মত পোষণ কৰে যে কেৱল ভূ-

ধাতুহে বচনত সংযোজক হিচাপে ব্যৱহাৰ হ'ব পাৰে। অন্য কোনো ধাতু বা ক্ৰিয়া হ'ব নোৱাৰে। অকল ভূ-ধাতুৱেহে পদ দুটাৰ মাজত থকা সম্বন্ধক স্পষ্টভাৱে প্ৰকাশ কৰিব পাৰে। যিহেতু আন ধাতুবোৰ প্ৰায় ক্ষেত্ৰতে বিধেয়ৰ লগত সংযুক্ত হৈ থাকে সেয়েহে পদ দুটাৰ মাজত থকা সম্বন্ধক আন ধাতুবোৰে স্পষ্টভাৱে প্ৰকাশ কৰিব নোৱাৰে। গতিকে অকল ভূ-ধাতুহে এই গুৰুত্বপূৰ্ণ ভূমিকাত সমৰ্থ হয়। বিভিন্ন কালত 'ভূ' ধাতুৰ বিভিন্ন ৰূপ পোৱা যায়। বৰ্তমান কালত 'হও', 'হোৱা', 'হয়', অতীত কালত 'হৈছিলো', 'হৈছিলা' আৰু ভৱিষ্যত কালত 'হম', 'হ'বা', 'হ'ব'। কাল সম্পৰ্কে যদিও বিভিন্ন দাৰ্শনিকৰ মাজত মতানৈক্য থকা দেখিবলৈ পোৱা যায়, সংযোজক কিন্তু বৰ্তমান কালৰ হোৱা উচিত কাৰণ বচন এটা অতীত কালত থাকিলেও আমি বৰ্তমান সময়তহে তাক প্ৰকাশ কৰিছো। যদি সংযোজকটোক বৰ্তমান কালত ৰাখো তেতিয়াহে বচনৰ কালৰ এক সত্যতা সংৰক্ষিত হ'ব। বচন অতীতত কালৰে হওক বা ভৱিষ্যৎ কালৰে হওক আমি তাক তৰ্কশাস্ত্ৰসন্মত বচনলৈ ৰূপান্তৰিত কৰিলে বচনটোৰ কালক তাত ৰাখিব লাগে। উদাহৰণ স্বৰূপে, 'শ্ৰীকৃষ্ণ বসুদেৱৰ পুত্ৰ আছিল'। অতীত কালৰ এই বচনটো আমি তৰ্কবিজ্ঞানসন্মত বচনলৈ পৰিৱৰ্তন কৰিলে এনেকুৱা হ'ব— 'শ্ৰীকৃষ্ণ হয় এনে এজন যি বসুদেৱৰ পুত্ৰ আছিল'। 'লীনা কাইলৈ স্কুললৈ যাব'। ভৱিষ্যৎ কালৰ এই বচনটো তৰ্কশাস্ত্ৰসন্মত ৰূপত এনেকুৱা হ'ব— 'লীনা হয় এনে যি কাইলৈ স্কুললৈ যাব'। বচনৰ সংযোজকটো সদৰ্থকো হ'ব পাৰে, নঞৰ্থকো হ'ব পাৰে। সংযোজকৰ সদৰ্থকতা আৰু নঞৰ্থকতাই বচনটো সদৰ্থক হ'বনে নঞৰ্থক হ'ব তাক নিৰ্ণয় কৰে। সংযোজক সদৰ্থক হ'লে বচনটো সদৰ্থক আৰু সংযোজক নঞৰ্থক হ'লে বচনটো নঞৰ্থক হ'ব।

কেতিয়াবা বচনত সংযোজকটো উহ্য থকা দেখিবলৈ পোৱা যায়। 'পৃথিৱীখন ঘূৰণীয়া' এই বচনটোত উদ্দেশ্য আৰু বিধেয়ৰ সংযোগকাৰী শব্দটো উপস্থিত থকা নাই। তৰ্কবিজ্ঞানসন্মত ৰূপত সজালে এই বচনটোৰ আকাৰ হ'ব 'পৃথিৱীখন হয় ঘৰণীয়া'। আকৌ কেতিয়াবা বচনটো ক্ৰম অনুযায়ী নাথাকে। উদাহৰণ স্বৰূপে 'তেওঁ সাধু নহয়'। 'তেওঁ সাধু নহয়' এই বচনটোক আমি সত্য বুলি ক'ব নোৱাৰো। কিয়নো বচনৰ নিয়ম অনুযায়ী সংযোজকটো সদায় পদ দুটাৰ মাজতহে থাকিব লাগে। কিন্তু দেখা গৈছে যে সংযোজকটো পদ দুটাৰ পিছতহে আছে। সেয়েহে বচনটো তৰ্কশাস্ত্ৰসন্মত ৰূপত হ'ব 'তেওঁ নহয় সাধু'।

সংক্ষেপে সংযোজকৰ প্ৰকৃতি উল্লেখ কৰা হ'ল—

(i) সংযোজক পদ নহয়। দুটা পদৰ মাজত থকা এক সম্বন্ধ সূচক চিন মাত্ৰ।
(ii) সংযোজক সদায় ভূ-ধাতুৰহে হ'ব লাগে।
(iii) ভূ-ধাতুৰো কেৱল নিত্য বৰ্তমান কালৰ ৰূপহে সংযোজক হিচাপে ব্যৱহাৰ হ'ব পাৰে।
(iv) সংযোজক সদৰ্থকো হ'ব পাৰে, নঞৰ্থকো হ'ব পাৰে।
(v) তৰ্কবিজ্ঞানসন্মত বচনত 'সংযোজক'টো

স্পষ্টভাৱে আৰু ক্ৰম অনুযায়ী প্ৰকাশিত হ'ব লাগে।

## 2.2.5 বাক্য আৰু বচন (Sentence and Proposition) ঃ

এক বা একাধিক শব্দ লগ লাগি কোনো অৰ্থ প্ৰকাশ কৰিলে তাক বাক্য বুলি কোৱা হয়। উদাহৰণ স্বৰূপে— 'ল'ৰাজন মেধাৱী', 'সীতাই গান গায়', 'মই স্কুললৈ নাযাওঁ' ইত্যাদি। কেতিয়াবা এটা শব্দৰেও গঠিত বাক্যই অৰ্থ প্ৰকাশ কৰিব পাৰে। যেনে— যোৱা, আহা ইত্যাদি। এনেধৰণৰ বাক্যতে সাধাৰণতে উদ্দেশ্যটো উহ্য থাকে। আচলতে বাক্যটো এনেধৰণৰ হ'ব লাগে 'তুমি যোৱা' বা 'কোনোবা এজন যোৱা'/ 'তুমি অহা' বা 'কোনোবা এজন আহা'।

আমি সচৰাচৰ যিবোৰ বাক্য ব্যৱহাৰ কৰো তাক স্পষ্ট আৰু প্ৰমাণযোগ্য কৰিবৰ বাবে তৰ্কবিজ্ঞানত এটি বিশেষ ৰূপ দি লওঁ যাক বচন বুলি কোৱা হয়।

যদিও বাক্য আৰু বচন দেখাত একেই যেন লাগে, তথাপিও কিন্তু সিহঁতৰ মাজত কিছুমান বিষয়ত পাৰ্থক্য থকা পৰিলক্ষিত হয়।

(1) বচনত তিনিটা অংশ থাকে। উদ্দেশ্য, সংযোজক আৰু বিধেয়। আনহাতে, বাক্যৰ ভাগ দুটা— উদ্দেশ্য আৰু বিধেয়।

(2) সকলোবোৰ বচনেই বাক্য হ'ব পাৰে কিন্তু সকলোবোৰ বাক্যই বচন হ'ব নোৱাৰে। ব্যাকৰণৰ বাক্য বৰ্ণনামূলক, ভাববোধক, ইচ্ছাবোধক, আদেশসূচক, প্ৰশ্নবোধক হ'ব পাৰে। বচনত কিন্তু অকল বৰ্ণনামূলক বাক্যহে ব্যৱহৃত হয়। যদিও কিছুমান বাক্যক বচনৰ সৰলীকৰণ নিয়মেৰে তৰ্কবিজ্ঞানসন্মত বচনলৈ ৰূপান্তৰিত কৰা হয়। তথাপিও কিন্তু সকলো বাক্যই বচন হ'ব নোৱাৰে।

(3) বচন সদায় সঁচা বা মিছা হ'ব পাৰে। সত্যতা আৰু মিথ্যাত্বই হৈছে বচনৰ ধৰ্ম। বাক্যৰ ক্ষেত্ৰত কিন্তু সঁচা-মিছাৰ প্ৰশ্ন নাহে; কিয়নো প্ৰশ্নবোধক, আদেশসূচক, ভাববোধক আদি বাক্যবোৰক সঁচা বা মিছা বুলি অভিহিত কৰা নহয়।

(4) বাক্যৰ কোনো নিৰ্দিষ্ট আকাৰ নাই। কিন্তু বচন সদায় তৰ্কবিজ্ঞানসন্মত নিৰ্দিষ্ট (A, E, I, O) যিকোনো এটা ৰূপত থাকিবই লাগিব।

(5) বচন যিকোনো কালত থাকিব নোৱাৰে। কেৱল বৰ্তমান কালতহে থাকিব লাগে। বাক্য কিন্তু অতীত, বৰ্তমান, ভৱিষ্যৎ যিকোনো কালত থাকিব পাৰে।

(6) বচনৰ সংযোজক সদায় 'ভূ'-ধাতুৰ নিত্য বৰ্তমান কালতহে থাকিব লাগে। বাক্য কিন্তু যিকোনো ধাতুৰ হ'ব পাৰে। তৰ্ক বিজ্ঞানত ঘাইকৈ 'বচন' শব্দটোৰহে ব্যৱহাৰ হয় বাক্য শব্দটোৰ ব্যৱহাৰ নহয়।

## 2.2.6 বচনৰ শ্ৰেণী বিভাগ (Classification of Proposition)

পৰম্পৰাগত তৰ্কবিজ্ঞানৰ ফালৰ পৰা বচনক এৰিষ্টটল আৰু তেওঁৰ অনুগামীসকলে বিভিন্ন দৃষ্টিকোণৰ পৰা বিভিন্ন ধৰণে ভাগ কৰিছে।

**গুণ অনুসৰি (According to Quality) ঃ**

গুণ অনুসৰি বচনক দুটা ভাগত ভগোৱা হৈছে— (i) সদৰ্থক আৰু (ii) নঞৰ্থক।

**(i) সদৰ্থক বচন ঃ** যি বচনত বিধেয় পদটোক উদ্দেশ্য পদ সম্পৰ্কে স্বীকাৰ কৰা হয় তাকে সদৰ্থক বচন বোলে। উদাহৰণ স্বৰূপে 'সকলো কাউৰী হয় ক'লা'। ইয়াত 'ক'লা'ক সকলো 'কাউৰীৰ' ক্ষেত্ৰত স্বীকাৰ কৰা হৈছে। 'কিছুমান মানুহ হয় সাহসী'। ইয়াতো 'সাহসী' এই বিধেয় পদটোক কিছুমান 'মানুহৰ' ক্ষেত্ৰত স্বীকাৰ কৰা হৈছে। গতিকে ই সদৰ্থক বচন।

**(ii) নঞৰ্থক বচন ঃ** যি বচনত বিধেয় পদটোক উদ্দেশ্য পদ সম্পৰ্কে অস্বীকাৰ কৰা হয় তাকে নঞৰ্থক বচন বোলে। উদাহৰণ স্বৰূপে 'কোনো কাউৰী নহয় বগা'। ইয়াত 'বগা' এই বিধেয় পদটোক সকলো 'কাউৰী'ৰ ক্ষেত্ৰত অস্বীকাৰ কৰা হৈছে। 'কিছুমান মানুহ নহয় সাহসী'। ইয়াতো 'সাহসী'ক কিছুমান 'মানুহৰ' ক্ষেত্ৰত অস্বীকাৰ কৰা হৈছে। গতিকে ই নঞৰ্থক বচন।

**বচনৰ গুণ নিৰ্ণয় ঃ**

বচন এটা সদৰ্থক হ'বনে নঞৰ্থক হ'ব তাক নিৰ্ণয় কৰে একমাত্ৰ সংযোজকে। সেয়েহে সংযোজকটো যদি সদৰ্থক হয় তেন্তে বচনটো সদৰ্থক হ'ব আৰু যদি সংযোজকটো নঞৰ্থক হয় তেন্তে বচনটো নঞৰ্থক হ'ব। কেতিয়াবা দেখা যায় যে উদ্দেশ্য বা বিধেয়ৰ লগতো নঞৰ্থক চিন যুক্ত হৈ থাকে। কিন্তু সংযোজকটো যদি সদৰ্থক ৰূপত থাকে তেতিয়া বচনটোক সদৰ্থক বুলিয়ে ধৰা হয়। উদাহৰণ স্বৰূপে 'কিছুমান মানুহ হয় অসাধু', 'অসাধু ব্যক্তি হয় সন্দেহজনক'। প্ৰথমটোত যদিও বিধেয়ৰ লগত নঞৰ্থক চিন যুক্ত হৈ আছে আচলতে বচনটো সদৰ্থক। কিয়নো 'হয়' সদৰ্থক সংযোজক। ঠিক তেনেদৰে দ্বিতীয়টোত উদ্দেশ্যৰ লগত নঞৰ্থক চিন যুক্ত হৈ থাকিলেও বচনটো সদৰ্থক বুলিয়ে ধৰি লোৱা হয়।

**পৰিমাণ অনুসৰি (According to Quantity) ঃ**

পৰিমাণ অনুসৰি বচনক দুটা ভাগত ভগোৱা হৈছে— (i) সামান্য বা সাৰ্বিক আৰু (ii) বিশেষ বচন।

**(i) সামান্য বা সাৰ্বিক বচন ঃ** যি বচনত বিধেয়ক সমগ্ৰ উদ্দেশ্য সম্বন্ধে স্বীকাৰ বা অস্বীকাৰ কৰা হয়, তাক সাৰ্বিক বা সামান্য বচন বোলে। উদাহৰণ স্বৰূপে, 'সকলো সাধু মানুহ হয় ধাৰ্মিক', 'কোনো মানুহ নহয় পূৰ্ণ' ইত্যাদি। প্ৰথম উদাহৰণটোত 'ধাৰ্মিক' এই বিধেয় পদটোক সকলো 'সাধু মানুহ'ৰ ক্ষেত্ৰত স্বীকাৰ কৰা হৈছে আৰু দ্বিতীয় উদাহৰণটোত 'পূৰ্ণ' বিধেয় পদটোক সকলো মানুহৰ ক্ষেত্ৰত অস্বীকাৰ কৰা হৈছে। গতিকে দুয়োটা বচনেই সামান্য বচন।

যেতিয়া বচনৰ উদ্দেশ্যটো একক বাচক নিৰ্দিষ্ট পদ হয় তেতিয়াও বচন সামান্য হয়। যেনে— 'হিমালয় হয় সৰ্বোচ্চ পৰ্বত', 'সূৰ্য পশ্চিম পিনে মাৰ যায়' ইত্যাদি। এনে বাক্যবোৰত যদিও উদ্দেশ্যত এটাই মাথোন বস্তুক নিৰ্দেশ কৰিছে তথাপিও ই সামান্য বচন, কাৰণ উদ্দেশ্য পদৰ সমগ্ৰ বাচ্যাৰ্থক ইয়াত লোৱা হৈছে।

**(ii) বিশেষ বচন ঃ** যি বচনত বিধেয়ক উদ্দেশ্য

পদৰ এটা অংশ সম্পৰ্কে বা কিছুমান হিচাপে স্বীকাৰ বা অস্বীকাৰ কৰা হয়, তাক বিশেষ বচন বোলে। উদাহৰণ স্বৰূপে, 'কিছুমান ছাত্ৰ হয় মেধাৱী', 'কিছুমান ছাত্ৰ নহয় বুদ্ধিমান' ইত্যাদি। প্ৰথম উদাহৰণটোত 'মেধাৱী' বিধেয় পদটোক কিছুমান 'ছাত্ৰৰ' ক্ষেত্ৰতহে স্বীকাৰ কৰা হৈছে। দ্বিতীয় উদাহৰণটোত 'বুদ্ধিমান' বিধেয় পদটোক কিছুমান 'ছাত্ৰৰ' ক্ষেত্ৰত অস্বীকাৰ কৰা হৈছে। গতিকে উভয়ে বিশেষ বচন।

যদি বচনৰ উদ্দেশ্যটো অনিৰ্দিষ্ট হয় তেতিয়া ই বিশেষ বচন হয়। 'কোনো কোনো মানুহ সৎ' ইয়াত উদ্দেশ্যটো অনিৰ্দিষ্ট; গতিকে ই বিশেষ বচন। সাধাৰণতে সকলো, যিকোনো, সমগ্ৰ, প্ৰত্যেক আদি শব্দবোৰ যদি বচনৰ উদ্দেশ্যৰ লগত যুক্ত হৈ থাকে তেতিয়া তেনে বচনক সাৰ্বিক সদৰ্থক বচনৰ অন্তৰ্ভুক্ত কৰা হয়। সাৰ্বিক নঞৰ্থক বুজাবলৈ 'কোনো' শব্দ ব্যৱহাৰ কৰা হয়। অৱশ্যে 'সকলো' শব্দটো নঞৰ্থক বচনত যদি ব্যৱহাৰ কৰো তেতিয়া ই বিশেষ বচন হয়। যেনে— 'সকলো মানুহ বুধিয়ক নহয়'। এই বচনটোৱে আচলতে কিছুমান মানুহ যে বুধিয়ক নহয় তাৰ অৰ্থহে প্ৰকাশ কৰিছে।

বচনত বিধেয় পদ উদ্দেশ্য পদৰ সমগ্ৰ বাচ্যাৰ্থৰ ক্ষেত্ৰত যদি প্ৰয়োগ কৰা হয় তেতিয়া বচনটো সাৰ্বিক বা সামান্য আৰু কিছুমান বা আংশিক বাচ্যাৰ্থৰ ক্ষেত্ৰত প্ৰয়োগ কৰিলে বচনটো বিশেষ বচন হ'ব।

**তৰ্কবিজ্ঞানত 'কিছুমান' শব্দৰ অৰ্থ (The meaning of the word 'Some' in logic) ঃ**

তৰ্কবিজ্ঞানত 'কিছুমান' শব্দৰ অৰ্থ গুৰুত্বপূৰ্ণ। আমি যি অৰ্থত 'কিছুমান' শব্দটো ব্যৱহাৰ কৰো তৰ্কবিজ্ঞানত কিন্তু ইয়াৰ প্ৰয়োগ বেলেগে। কিছুমান বুলি ক'লে সাধাৰণতে আমি কোনো ধৰণৰ বস্তুৰ এটা সৰু অংশক বুজো। কিন্তু তৰ্কবিজ্ঞানত এই 'কিছুমান' শব্দটোৱে এটা অনিৰ্দিষ্ট পৰিমাণক বুজায়। এটা শ্ৰেণীত থকা 50 জন ছাত্ৰৰ ভিতৰত যদি 49 জন ছাত্ৰই বুদ্ধিমান হয় তেতিয়া 'কিছুমান' শব্দটো ব্যৱহৃত হ'ব আৰু যদি 50 জন ছাত্ৰৰ মাত্ৰ এজনো বুদ্ধিমান হয় তেতিয়াও 'কিছুমান' শব্দটোৱেই ব্যৱহৃত হ'ব।

ঠিক তেনেদৰে, এটা ফুটবল দলত থকা 11 জন খেলুৱৈৰ ভিতৰত যদি 10 জন পাৰ্গত হয় তেতিয়াও 'কিছুমান' শব্দটো ব্যৱহাৰ কৰা হয় আৰু যদি 11 জনৰ মাত্ৰ এজনো পাৰ্গত হয় তেতিয়াও তৰ্কবিজ্ঞানত 'কিছুমান' শব্দটোৱেই ব্যৱহাৰ কৰা হয়।

সাধাৰণ অৰ্থত কোনো এটা শ্ৰেণীৰ কিছুমানৰ ক্ষেত্ৰত কোনো উক্তি প্ৰকাশ কৰিলে বুজা যায় যে শ্ৰেণীটোৰ আনবিলাকৰ ক্ষেত্ৰত ইয়াৰ বিপৰীতটো সত্য হয়। সাধাৰণতে, আমি কিছুমান মানুহ সাধু বুলি ক'লে আন মানুহ বিলাক যে সাধু নহয়, অসাধু হয় তাকহে বুজো। কিন্তু তৰ্কবিজ্ঞানত এইটো নুবুজায়। তৰ্কবিজ্ঞানত কিছুমান মানুহ সাধু বুলি ক'লে আন মানুহ বিলাক অসাধু হয় নে নহয় সেই সম্পৰ্কে একো নুবুজায়। 'কিছুমান' বুলিলে সাধাৰণ অৰ্থত, কেৱল কিছুমানকে বুজা যায়। তৰ্কবিজ্ঞানত কিন্তু 'কিছুমান' শব্দটোৱে অন্তত

'কিছুমান' বা 'অতি কমেও' 'কিছুমান'ক সূচায়। 'কিছুমান' মানে সকলো হ'ব পাৰে বা নহ'বও পাৰে। গতিকে 'কিছুমান' শব্দৰ প্ৰয়োগ 'সকলো' বা 'সমগ্ৰ'ৰ প্ৰশ্নটো মুকলি কৰি ৰাখে।

**সম্বন্ধ অনুসৰি (According to Relation) ঃ**

সম্বন্ধ অনুসৰি বচনক প্ৰধানত দুটা ভাগত ভগোৱা হৈছে— (i) নিৰপেক্ষ বচন আৰু (ii) সাপেক্ষ বচন।

**(i) নিৰপেক্ষ বচন ঃ** যি বচনৰ উদ্দেশ্য আৰু বিধেয়ৰ সম্বন্ধ কোনো চৰ্তৰ ওপৰত নিৰ্ভৰ নকৰে, তেনেকুৱা বচনক নিৰপেক্ষ বচন বোলে। অৰ্থাৎ নিৰপেক্ষ বচনৰ পদ দুটাৰ মাজৰ সম্বন্ধ চৰ্ত সাপেক্ষে নহয়। উদাহৰণ স্বৰূপে 'লতা মংগেছকাৰ হয় এগৰাকী সুগায়িকা', 'গোৱা হয় এখন পৰ্যটকৰ ঠাই', 'কিছুমান ফুল নহয় ৰঙা' ইত্যাদি। উপৰোক্ত উদাহৰণ কেইটাত দেখা গৈছে যে বচন কেইটাত থকা উদ্দেশ্য আৰু বিধেয়ৰ সম্বন্ধ কোনো চৰ্তৰ ওপৰত নিৰ্ভৰশীল নহয়। ইয়াত, বিধেয় পদক উদ্দেশ্য পদ সম্পৰ্কে চৰ্তহীনভাৱে স্বীকাৰ বা অস্বীকাৰ কৰা হৈছে। গতিকে আটাইকেইটা নিৰপেক্ষ বচন।

**(ii) সাপেক্ষ বচন ঃ** যি বচনৰ উদ্দেশ্য আৰু বিধেয়ৰ সম্বন্ধ কোনো চৰ্তৰ ওপৰত নিৰ্ভৰ কৰে তেনেকুৱা বচনক সাপেক্ষ বচন বোলে। অৰ্থাৎ সাপেক্ষ বচনৰ পদ দুটাৰ মাজৰ সম্বন্ধটো চৰ্তৰ ওপৰত নিৰ্ভৰশীল হয়। ই চৰ্তসাপেক্ষ বচন। উদাহৰণ স্বৰূপে— 'যদি মানুহজন দয়ালু হয় নিশ্চয় ইয়ালৈ আহিব আহিব'। 'হয় তেওঁ আমিষভোজী নহয় নিৰামিষভোজী'।

দুয়োটা উদাহৰণতে দেখা গৈছে যে উদ্দেশ্য আৰু বিধেয়ৰ সম্বন্ধ চৰ্তৰ ওপৰত নিৰ্ভৰ কৰিছে। পিছৰ অংশৰ সত্যতা আগৰ অংশৰ সত্যতাৰ ওপৰত নিৰ্ভৰ কৰিছে।

সাপেক্ষ বচনক আকৌ দুভাগত ভগোৱা হৈছে— (a) সকল্পক বচন আৰু (b) বিকল্পক বচন।

**(a) সকল্পক বচন (Hypothetical proposition) ঃ**

যি সাপেক্ষ বচনত চৰ্তটো 'যদি' বা ইয়াৰ সমাৰ্থক (একে অৰ্থৰ) কোনো শব্দৰ দ্বাৰা উল্লেখিত হয়, তেনেকুৱা বচনক সকল্পক বচন বোলে। সকল্পক বচনত দুটা অংশ থাকে। প্ৰথম অংশটোক পূৰ্বৱৰ্তী (Antecedent) আৰু পিছৰ অংশটোক পৰৱৰ্তী বা অনুৱৰ্তী (Consequent) অংশ বোলে। যদিও পৰৱৰ্তী অংশটোত মূল বক্তব্যটো থাকে, চৰ্তটোৰ উল্লেখ কিন্তু আগৰ অংশটোতহে থকা দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে— 'যদি মা আহে মই বজাৰলৈ যাম', 'যদি ল'ৰাজন পঢ়া-শুনাত ভাল হয় তেন্তে সি নিশ্চয় পাছ কৰিব'। এই বচন দুটাত চৰ্তকেইটাৰ স্পষ্ট উল্লেখ আছে। যিটো অংশত চৰ্তটোৰ উল্লেখ থাকে সেই অংশটো পূৰ্বৱৰ্তী আৰু যিটো অংশত মূল বক্তব্যটো থাকে সেই অংশটো পৰৱৰ্তী বা অনুৱৰ্তী। সেয়েহে, 'যদি মা আহে' বচনত এই অংশটো পূৰ্বৱৰ্তী আৰু 'মই বজাৰলৈ যাম' এই অংশটো পৰৱৰ্তী বা অনুৱৰ্তী।

সকল্পক বচনত চৰ্তটো সদায় বচনটোৰ প্ৰথম অংশটোত থাকিব লাগে। আৰু মূল বক্তব্যটোৰ

পিছৰ অংশটোত থাকিব লাগে। ধৰি লোৱা হওক, 'সি পাছ কৰিব যদি ল'ৰাজন পঢ়া-শুনাত ভাল হয়' এই বচনটো তৰ্কবিজ্ঞানসন্মত হোৱা নাই। কিয়নো সকল্পক বচনৰ নিয়মানুসৰি চৰ্তটো আগত আৰু বক্তব্যটো পিছত থাকিব লাগে। কিন্তু উপৰোক্ত বচনটোত মূল বক্তব্যটো আগত আৰু চৰ্তটো পিছত থকাহে দেখা গৈছে। তৰ্কবিজ্ঞানসন্মতভাৱে প্ৰকাশ কৰিলে এনে হ'ব— 'যদি ল'ৰাজন পঢ়া-শুনাত ভাল হয় তেন্তে সি পাছ কৰিব'।

### (b) বিকল্পক বচন (Disjunctive proposition) ঃ

যি সাপেক্ষ বচনত চৰ্তটো স্পষ্টভাৱে উল্লেখ কৰা নহয়, কিন্তু 'হয়-নহয়', 'নাইবা' আদি শব্দ প্ৰয়োগ কৰিলে বচনটোত বিকল্প চৰ্তকেইটাৰ কোনো এটা নিহিত থকাৰ ইংগিত পোৱা যায়, তেনেকুৱা বচনক বিকল্পক বচন বোলে।

বিকল্পক বচনৰো দুটা অংশ থাকে। তাৰে যদি এটা সত্য হয় আনটো সত্য হ'ব নোৱাৰে। উদাহৰণ স্বৰূপে— 'হয় মানুহজন এজন সৰবজান নহয় এজন ঠগ'।

এই বিকল্পক বচনটোত দেখা গৈছে যে চৰ্তটো স্পষ্টভাৱে উল্লেখ কৰা হোৱা নাই। কোনটো সত্য কোনটো অসত্য সেইটো ভালদৰে প্ৰকাশ কৰা নাই। যদি মানুহজন সঁচাকৈয়ে এজন সৰবজান হয় তেন্তে ঠগ হ'ব নোৱাৰে; আৰু যদি ঠগ হয় তেন্তে সৰবজান হ'ব নোৱাৰে। গতিকে বিকল্পক বচনৰ অংশ দুটাৰ এটাৰ সত্যতা আনটোৰ ওপৰত নিৰ্ভৰ কৰে।

**সকল্পক বচনৰ গুণ নিৰ্ণয় ঃ**

সকল্পক বচনৰ দুটা অংশ থাকে। এটা পূৰ্বৱৰ্তী আৰু আনটো পৰৱৰ্তী। পৰৱৰ্তী অংশই সদায় পূৰ্বৱৰ্তী অংশৰ ওপৰত নিৰ্ভৰ কৰে। যিহেতু পৰৱৰ্তী অংশত মূল বক্তব্যটো থাকে সেয়েহে পৰৱৰ্তী অংশৰ গুণেই সেই সকল্পক বচনটোৰ গুণ হ'ব। উদাহৰণ স্বৰূপে, 'যদি তুমি মনোযোগেৰে পঢ়া তেন্তে পৰীক্ষাত প্ৰথম স্থান পাবা'। এই সকল্পক বচনটোত দেখা গৈছে যে 'পৰীক্ষাত প্ৰথম স্থান পাবা' এই মূল বক্তব্যটো সদৰ্থক। সেয়েহে বচনটোও সদৰ্থক। আকৌ 'যদি তুমি আহা তেন্তে মই নাযাওঁ, এই সকল্পক বচনটোত 'তেন্তে মই নাযাওঁ' এই পৰৱৰ্তী অংশটো যিহেতু নঞৰ্থক, বচনটোও নঞৰ্থকেই হ'ব। গতিকে সকল্পক বচনৰ পৰৱৰ্তী অংশ সদৰ্থক হ'লে বচনটো সকল্পক সদৰ্থক বচন আৰু নঞৰ্থক হ'লে বচনটো সকল্পক নঞৰ্থক বচন হ'ব।

**সকল্পক বচনৰ পৰিমাণ নিৰ্ণয় ঃ**

সকল্পক বচনৰ পৰিমাণ সাধাৰণতে বচনটোৰ পূৰ্বৱৰ্তী অংশৰ ওপৰত নিৰ্ভৰশীল। অৰ্থাৎ সকল্পক বচনটো সামান্য হ'ব নে বিশেষ হ'ব সেইটো নিৰ্ভৰ কৰে একমাত্ৰ বচনটোৰ পূৰ্বৱৰ্তী অংশটো সামান্য নে বিশেষ তাৰ ওপৰতহে। যদি সকল্পক বচনৰ পৰৱৰ্তী অংশই সকলো ক্ষেত্ৰতে পূৰ্বৱৰ্তী অংশ অনুসৰণ কৰে তেনেহ'লে সকল্পক বচনটো সামান্য আৰু যদি কিছুমান ক্ষেত্ৰত বা অতি কমেও এটাৰ ক্ষেত্ৰত অনুসৰণ কৰে তেনেহ'লে সকল্পক বচনটো বিশেষ হ'ব।

উদাহৰণ স্বৰূপে— 'যদি সকলো মানুহ হয়

জ্ঞানী তেন্তে হৰিও হ’ব জ্ঞানী’, ‘যদি কিছুমান ছাত্ৰই পৰীক্ষাত ভাল নম্বৰ পায় তেন্তে শ্ৰেণীটোৰ সুনাম হ’ব’। উদাহৰণ দুটাৰ প্ৰথমটো সামান্য সকল্পক বচন আৰু দ্বিতীয়টো বিশেষ সকল্পক বচন।

**বিকল্পক বচনৰ গুণ আৰু পৰিমাণ নিৰ্ণয় ঃ**

বিকল্পক বচন কেতিয়াও নঞৰ্থক হ’ব নোৱাৰে। ই সদায় সদৰ্থক। বিকল্পক মানে দুটাৰ এটা হোৱা। যিহেতু বিকল্পক বচনৰ কোনো নঞৰ্থক ৰূপ নাই সেয়েহে এনে বচনত গুণৰ পাৰ্থক্য স্বীকাৰ কৰা নহয়। পৰিমাণৰ দিশৰ পৰা বিকল্পক বচন সামান্য বা বিশেষ হ’ব পাৰে। ‘সকলো’, ‘সমগ্ৰ’ আদি শব্দৰে যদি বিকল্পক বচনটো আৰম্ভ হয় তেতিয়া ই সামান্য বচন হ’ব আৰু যদি ‘কোনো কোনো’, ‘কিছুমান’ আদি শব্দৰে বিকল্পক বচনটো আৰম্ভ হয় তেন্তে ই বিশেষ বচন হ’ব।

উদাহৰণ স্বৰূপে—

‘সকলো মানুহ হয় মৰণশীল নহয় অমৰ’ বচনটো বিকল্পক সামান্য বচন।

‘কিছুমান মানুহ হয় জ্ঞানী নহয় অজ্ঞানী’ বচনটো বিকল্পক বিশেষ বচন।

**নিশ্চয়তা অনুসৰি (According to modality) ঃ**

নিশ্চয়তা অনুসৰি বচনক তিনি ভাগত ভগোৱা হৈছে— (i) অনিবাৰ্য (Necessary), (ii) বিৱৰণাত্মক (Assertory) আৰু (iii) সম্ভাৱ্য (Problematic)।

**(i) অনিবাৰ্য (Necessary Proposition) ঃ**

যি বচনত উদ্দেশ্য আৰু বিধেয়ৰ মাজৰ সম্বন্ধ নিশ্চিতভাৱে জোৰ দি বুজোৱা হয়, তেনেকুৱা বচনক অনিবাৰ্য বচন বোলে। উদাহৰণ স্বৰূপে—

‘চতুৰ্ভুজৰ চাৰিটা কোণৰ সমষ্টি চাৰি সমকোণৰ সমান (360°)’, ‘পাঁচে পাঁচে মিলি দহ হ’বই’ ইত্যাদি।

এনেধৰণৰ বচনকেইটাত উদ্দেশ্য আৰু বিধেয়ৰ সম্বন্ধ নিশ্চিতভাৱে জোৰ দি বুজোৱা হৈছে; গতিকে এইবিলাক অনিবাৰ্য বচন।

**(ii) বিৱৰণাত্মক বচন (Assertory Proposition) ঃ**

যি বচনত উদ্দেশ্য আৰু বিধেয়ৰ মাজৰ সম্বন্ধ অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত হয়, তেনেকুৱা বচনক বিৱৰণাত্মক বচন বোলে।

উদাহৰণ স্বৰূপে— ‘কাউৰী হয় ক’লা’, ‘ৰাজহাঁহ হয় বগা’ ইত্যাদি।

বিৱৰণাত্মক বচন অনিবাৰ্যভাৱে সত্য হ’ব নোৱাৰে। যিহেতু এনে বচনৰ সত্যতা আমাৰ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰে সেয়েহে কেতিয়াবা যদি ইয়াৰ ব্যতিক্ৰম এটা মাত্ৰ বগা কাউৰী বা এটা ক’লা ৰাজহাঁহ দেখা যায় তেতিয়া গোটেই বচনটোৱেই অসত্য হৈ যাব।

**(iii) সম্ভাৱ্য বচন (Problematic Proposition) ঃ**

যি বচনত উদ্দেশ্য আৰু বিধেয়ৰ মাজত থকা সম্বন্ধটো মাত্ৰ সম্ভৱনামূলক, অৰ্থাৎ হ’বও পাৰে নহ’বও পাৰে, তেনেকুৱা বচনক সম্ভাৱ্য বচন বোলে।

উদাহৰণ স্বৰূপে—

‘ল’ৰাজন বদমাচ হ’ব পাৰে’

‘ৰামানুজে পৰীক্ষাত প্ৰথম স্থান পাব পাৰে’

ইত্যাদি।

যিহেতু এনেধৰণৰ বচনত নিশ্চয়তাৰ মাত্ৰা অতিকম, সেয়েহে ইয়াৰ বিপৰীতটোও সম্ভৱ হ'ব পাৰে।

## 2.2.7 বচনৰ চতুৰ্বৰ্গীয় শ্ৰেণীবিভাগ (Four Fold Scheme of Proposition) ঃ

আমি আগতে পাই আহিছো যে গুণ অনুসৰি বচনক সদৰ্থক আৰু নঞৰ্থক এই দুটা ভাগত ভাগ কৰিব পাৰি আৰু পৰিমাণ অনুসৰি বচনক সামান্য আৰু বিশেষ এই দুটা ভাগত ভাগ কৰিব পাৰি। সাৰ্বিক বা সামান্য বচন সদৰ্থকো হ'ব পাৰে নঞৰ্থকো হ'ব পাৰে। ঠিক তেনেদৰে বিশেষ বচনো সদৰ্থকো হ'ব পাৰে নঞৰ্থকো হ'ব পাৰে। গতিকে গুণ আৰু পৰিমাণৰ মিশ্ৰনীতি অনুসৰি অৰ্থাৎ গুণগত আৰু পৰিমাণগত উভয় দিশৰ পৰা বচনক চাৰি ভাগত ভগোৱা হৈছে।

যেনে— সাৰ্বিক বা সামান্য সদৰ্থক, সাৰ্বিক বা সামান্য নঞৰ্থক, বিশেষ সদৰ্থক, বিশেষ নঞৰ্থক।

**(1) সামান্য সদৰ্থক বচন ঃ** যি বচনত বিধেয় পদক সমগ্ৰ উদ্দেশ্য পদ সম্পৰ্কে অৰ্থাৎ উদ্দেশ্য পদৰ দ্বাৰা সূচিত প্ৰত্যেকৰ ক্ষেত্ৰতেই স্বীকাৰ কৰা হয় তাক সামান্য সদৰ্থক বচন বোলে।

যেনে— সকলো মানুহ হয় মৰণশীল।

**(2) সামান্য নঞৰ্থক বচন ঃ** যি বচনত বিধেয় পদক সমগ্ৰ উদ্দেশ্য পদ সম্পৰ্কে অৰ্থাৎ উদ্দেশ্য পদৰ দ্বাৰা সূচিত প্ৰত্যেকৰ ক্ষেত্ৰতেই অস্বীকাৰ কৰা হয় তাক সামান্য নঞৰ্থক বচন বোলে।

যেনে— কোনো মানুহ নহয় পূৰ্ণ।

**(3) বিশেষ সদৰ্থক বচন ঃ** যি বচনত বিধেয় পদক উদ্দেশ্য পদৰ এটা অংশ অৰ্থাৎ উদ্দেশ্য পদৰ দ্বাৰা সূচিত কিছুমানৰ ক্ষেত্ৰতহে স্বীকাৰ কৰা হয় তাক বিশেষ সদৰ্থক বচন বোলে।

যেনে— কিছুমান মানুহ হয় জ্ঞানী।

**(1) বিশেষ নঞৰ্থক ঃ** যি বচনত বিধেয় পদক উদ্দেশ্য পদৰ এটা অংশ অৰ্থাৎ উদ্দেশ্য পদৰ দ্বাৰা সূচিত কিছুমানৰ ক্ষেত্ৰতহে অস্বীকাৰ কৰা হয় তাক বিশেষ নঞৰ্থক বচন বোলে।

যেনে— কিছুমান মানুহ নহয় সাধু।

আলোচনাৰ সুবিধাৰ বাবে এই চাৰি প্ৰকাৰ বচনক সংক্ষেপে A, E, I আৰু O এই চাৰিটা সাংকেতিক চিনেৰে প্ৰকাশ কৰা হয়। সাৰ্বিক সদৰ্থক বচন বুজাবলৈ 'A' সাৰ্বিক নঞৰ্থক বচন বুজাবলৈ 'E' বিশেষ সদৰ্থক বচন বুজাবলৈ 'I' আৰু বিশেষ নঞৰ্থক বচন বুজাবলৈ 'O' প্ৰতীক ব্যৱহাৰ কৰা হয়।

**মিশ্ৰনীতি (গুণ + পৰিমাণ) অনুসৰি**

(1) সাৰ্বিক সদৰ্থক (A)
সকলো S হয় P

(2) সাৰ্বিক নঞৰ্থক (E)
কোনো S নহয় P

(3) বিশেষ সদৰ্থক (I)
কিছুমান S হয় P

(4) বিশেষ নঞৰ্থক (O)
কিছুমান S নহয় P

ইয়াত উদ্দেশ্যক সংক্ষেপে S আৰু বিধেয়ক P ৰে বুজোৱা হৈছে।

**ছাত্ৰ-ছাত্ৰীৰ বাবে কৰ্মসূচী**

(1) প্ৰত্যয় আৰু অৱধাৰণৰ বিষয়ে শিকিলা। এতিয়া কেইটামান প্ৰত্যয় মনতে সংযোগ কৰি অৱধাৰণ গঠন কৰা।

(1) সচৰাচৰ ব্যৱহাৰ কৰা 12 টা বাক্য গুণ, পৰিমাণ, সম্বন্ধ আৰু তাৎপৰ্য অনুযায়ী বাচি উলিওৱা।

(1) বৰ্ণনামূলক বচনৰ বিষয়ে জানিলা। এতিয়া তোমাৰ অভিজ্ঞতাত পোৱা বৰ্ণনামূলক বচনৰ এখন তালিকা প্ৰস্তুত কৰা।

## পাঠৰ মূলকথা ঃ

প্ৰত্যয় বুলিলে এটা সামান্য বা সাধাৰণ ধাৰণাক বুজা যায়। দুটা প্ৰত্যয় যেতিয়া মনতে পৰস্পৰক তুলনা কৰি সংযোগ কৰা হয় তেতিয়াই অৱধাৰণ গঠিত হয়। আনহাতে, ইয়াৰ পৰিণামটোকো অৱধাৰণ বুলি জনা যায়। তৰ্কবিজ্ঞানত কিন্তু ‘পৰিণাম’ অৰ্থতহে ‘অৱধাৰণ’ শব্দটো ব্যৱহৃত হয়। অৱধাৰণক ভাষাৰ মাধ্যমেৰে প্ৰকাশ কৰিলে ই বচন হিচাপে পৰিগণিত হয়।

**বচন ঃ** বচন হ’ল দুটা পদৰ মাজৰ সম্পৰ্কৰ উক্তি। বচনত তিনিটা অংশ পোৱা যায়। উদ্দেশ্য, সংযোজক আৰু বিধেয়। উদ্দেশ্য আৰু বিধেয় দুয়োটাই পদ কিন্তু সংযোজক পদ হ’ব নোৱাৰে। সংযোজক হ’ল পদ দুটাৰ মাজৰ সম্বন্ধসূচক চিন।

বচনত যাৰ বিষয়ে কোৱা হয় তাক উদ্দেশ্য, উদ্দেশ্যৰ বিষয়ে যি কোৱা হয় তাক বিধেয় বোলে। উদ্দেশ্য আৰু বিধেয়ৰ মাজৰ সম্বন্ধ বুজোৱা চিন বা শব্দক সংযোজক বোলে। সংযোজক অকল ভূ-ধাতুৰ নিত্য বৰ্তমান কালৰহে হ’ব লাগে। সংযোজক সদৰ্থক বা নঞৰ্থক হ’ব পাৰে। বচনত সংযোজকটো ক্ৰম অনুযায়ী আৰু স্পষ্টকৈ থাকিব লাগে।

সকলো বচনেই বাক্য হ’ব পাৰে কিন্তু সকলো বাক্যই বচন হ’ব নোৱাৰে। গুণ অনুসৰি বচনক সদৰ্থক আৰু নঞৰ্থক বচনত ভাগ কৰা হয়, পৰিমাণ অনুসৰি বচনক সাৰ্বিক বা সামান্য আৰু বিশেষ, সম্বন্ধ অনুসৰি বচনক নিৰপেক্ষ আৰু সাপেক্ষ, নিশ্চয়তা অনুসৰি অনিবাৰ্য, বিৱৰণাত্মক আৰু সম্ভাব্য বচনত ভাগ কৰা হয়।

যি বচনত বিধেয় পদক উদ্দেশ্য পদ সম্পৰ্কে স্বীকাৰ কৰা হয় তাক সদৰ্থক বচন বোলে। যি বচনত বিধেয় পদক উদ্দেশ্য পদ সম্পৰ্কে অস্বীকাৰ কৰা হয় তাক নঞৰ্থক বচন বোলে। যি বচনত বিধেয়ক সমগ্ৰ উদ্দেশ্য সম্পৰ্কে স্বীকাৰ বা অস্বীকাৰ কৰা হয় তাক সাৰ্বিক বা সামান্য বচন বোলে। যি বচনত বিধেয়ক উদ্দেশ্যৰ এটা অংশ সম্পৰ্কে স্বীকাৰ বা অস্বীকাৰ কৰা হয় তাক বিশেষ বচন বোলে। বচনৰ উদ্দেশ্য আৰু বিধেয়ৰ মাজৰ সম্বন্ধ যদি কোনো চৰ্তৰ ওপৰত নিৰ্ভৰ নকৰে, তেনেকুৱা বচনক নিৰপেক্ষ বচন বোলে। বচনৰ উদ্দেশ্য আৰু বিধেয়ৰ মাজৰ সম্বন্ধ যদি চৰ্তৰ ওপৰত নিৰ্ভৰ কৰে তেনেহ’লে তেনে বচনক সাপেক্ষ বচন বোলে। যদি বা ইয়াৰ সমাৰ্থক কোনো শব্দৰ জৰিয়তে সাপেক্ষ বচনৰ চৰ্তটো স্পষ্টভাৱে উল্লেখ থাকিলে তাক সকল্পক বচন বোলে। যি সাপেক্ষ বচনত চৰ্তটো স্পষ্টভাৱে উল্লেখ নাথাকে, অথচ ‘হয়-নহয়’, ‘নাইবা’ আদি শব্দ প্ৰয়োগ কৰি বিকল্প এটা নিহিত হৈ থকাৰ

ইংগিত দিয়ে তেনেকুৱা বচনক বিকল্পক বচন বোলে। সকল্পক বচনৰ গুণ বচনৰ পৰৱৰ্তী অংশৰ গুণৰ ওপৰত আৰু সকল্পক বচনৰ পৰিমাণ বচনৰ পূৰ্বৱৰ্তী অংশৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে। গুণৰ ফালৰ পৰা সকলো বিকল্পক বচনেই সদৰ্থক। পৰিমাণৰ দিশৰ পৰা বিকল্পক বচন সামান্যও হ'ব পাৰে আৰু বিশেষো হ'ব পাৰে। উদ্দেশ্য আৰু বিধেয়ৰ মাজৰ সম্বন্ধ যদি ইয়াৰ মূল স্বৰূপৰ ওপৰত প্ৰতিষ্ঠিত হয় তেতিয়া বচনটো অনিবাৰ্য বচন হয়। উদ্দেশ্য আৰু বিধেয়ৰ মাজৰ সম্বন্ধ অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত হ'লে বচন বৰ্ণনাত্মক হয়। উদ্দেশ্য আৰু বিধেয় পদৰ মাজৰ সম্বন্ধ যদি কেৱল সম্ভাৱনামূলক হয় তেনেকুৱা বচনক সম্ভাব্যমূলক বচন বোলে।

**বচনৰ চতুৰ্বৰ্গীয় শ্ৰেণী বিভাগ ঃ** গুণ আৰু পৰিমাণৰ সংযুক্ত বা মিশ্ৰনীতি অনুসৰি বচনক চাৰি ভাগত ভগোৱা হয় ঃ

(1) সাৰ্বিক বা সামান্য সদৰ্থক
(2) সাৰ্বিক বা সামান্য নঞৰ্থক
(3) বিশেষ সদৰ্থক আৰু
(4) বিশেষ নঞৰ্থক

এই চাৰি প্ৰকাৰ বচনক A, E, I আৰু O ৰ জৰিয়তে বুজোৱা হয়।

## অনুশীলনী

**1.** উত্তৰ দিয়া ঃ

(i) এটা বচনত কেইটা পদ থাকে?
(ii) তৰ্কবিজ্ঞানসন্মত বচনত সংযোজকটো পদ হয়নে?
(iii) পৰিমাণ অনুসৰি বচনক নিম্নোক্ত কোনটো ভাগত বিভাজন কৰা হৈছে?
(a) সাৰ্বিক বা সামান্য আৰু বিশেষ?
(b) সদৰ্থক আৰু নঞৰ্থক?
(c) সকল্পক আৰু বিকল্পক?
(iv) বচনৰ উদ্দেশ্যটো এটা পদ নে?
(v) বচনৰ বিধেয়টো এটা পদ নে?
(vi) বচনৰ সংযোজকটো এটা পদ নে এটা শব্দ?
(vii) সাৰ্বিক বা সামান্য বচন কি?
(viii) বিশেষ সদৰ্থক বচনৰ সাংকেতিক চিন কি?
(ix) বচন কাক বোলে?

**2.** শুদ্ধ উত্তৰ বাচি উলিওৱা ঃ

(i) অৱধাৰণক যেতিয়া ভাষাৰ মাধ্যমেৰে প্ৰকাশ কৰা হয় তেতিয়া তাক শব্দ/ পদ/ বচন বোলে।
(ii) এটা বচনত এটা/ দুটা/ তিনিটা পদ থাকে।
(iii) বচনত যাৰ বিষয়ে কোৱা হয় তাক উদ্দেশ্য/ বিধেয় বোলে।
(iv) সংযোজকটো এটা শব্দ/ এটা পদ/ কোনোটোৱেই নহয়।
(v) বচনত সংযোজকটো অতীত/ বৰ্তমান/ ভৱিষ্যৎ কালত থাকে।
(vi) গুণগত/ পৰিমাণগত দিশৰ পৰা বচন সাৰ্বিক বা বা সামান্য আৰু বিশেষ হ'ব পাৰে।
(vii) বচনৰ সংযোজকটো সদৰ্থক/ নঞৰ্থক/

সদৰ্থক বা নঞৰ্থক হ'ব পাৰে।

(viii) নিৰপেক্ষ বচনত উদ্দেশ্য আৰু বিধেয়ৰ সম্বন্ধটো চৰ্তৰ ওপৰত নিৰ্ভৰশীল হয়/ নহয়।

(ix) বচনক মিশ্ৰনীতি অনুসৰি চাৰি/ পাঁচ/ ছয় ভাগত ভগোৱা হৈছে।

(x) 'I' বচনটো সাৰ্বিক বা সামান্য সদৰ্থক/ বিশেষ সদৰ্থক।

(xi) বচনৰ গুণ উদ্দেশ্য/ বিধেয়/ সংযোজকে নিৰ্ণয় কৰে।

(xii) নিৰপেক্ষ/ সাপেক্ষ বচনত উদ্দেশ্য আৰু বিধেয়ৰ সম্বন্ধ চৰ্তহীন।

(xiii) গুণ/ সম্বন্ধ/ নিশ্চয়তা অনুযায়ী বচন নিৰপেক্ষ বা সাপেক্ষ হ'ব পাৰে।

(xiv) অৱধাৰণ মানসিক প্ৰক্ৰিয়া হয়/ নহয়।

(xv) 'O' বচনটো বিশেষ নঞৰ্থক/ সাৰ্বিক নঞৰ্থক।

**3.** খালী ঠাই পূৰণ কৰা ঃ

(a) বচনৰ উদ্দেশ্যটো এটা ———।

(b) বচনৰ বিধেয়টো এটা ———।

(c) বচনত উদ্দেশ্য আৰু বিধেয়ৰ সংযোগকাৰী চিনটোক ——— বোলে।

(d) ——— অনুসৰি বচনক সাৰ্বিক বা সামান্য আৰু বিশেষ এই দুই ভাগত ভগাব পাৰি।

(e) মিশ্ৰনীতি অনুযায়ী বচনক ——— ভাগত ভগোৱা হৈছে।

(f) এটা বচনত ——— পদ থাকে।

(g) সকল্পক বচনৰ ভাগ ———।

(h) সাপেক্ষ বচনক ——— আৰু ——— ভাগত ভগোৱা হৈছে।

(i) গুণ অনুসৰি বচন ——— বা ——— হ'ব পাৰে।

(j) 'A' বচনটো সাৰ্বিক বা সামান্য ———।

**4.** পাৰ্থক্য লিখা ঃ

(a) সাপেক্ষ বচন আৰু নিৰপেক্ষ বচন।

(b) বাক্য আৰু বচন।

(c) সকল্পক বচন আৰু বিকল্পক বচন।

(d) সদৰ্থক বচন আৰু নঞৰ্থক বচন।

**5.** সংজ্ঞা লিখা ঃ

(a) সদৰ্থক বচন।

(b) সামান্য বচন।

(c) উদ্দেশ্য।

(d) বিধেয়।

(e) সংযোজক।

(f) বৰ্ণনামূলক বচন।

(g) নঞৰ্থক বচন।

**6.** চমুটোকা লিখা ঃ

(a) বচন।

(b) বচনৰ চতুবৰ্গীয় শ্ৰেণীবিভাগ।

(c) সাপেক্ষ বচন।

**7.** উদাহৰণ দিয়া ঃ

(i) সদৰ্থক বচন।

(ii) বিশেষ বচন।

(iii) বিকল্পক বচন।

(iv) সম্ভাব্য বচন।

(v) অনিবাৰ্যমূলক বচন।

**8.** সত্য হ'লে 'T' আৰু অসত্য হ'লে 'F' লিখা ঃ

(a) সংযোজকটো বচনৰ পদ দুটাৰ মাজৰ সম্বন্ধ সূচক চিন।

(b) সম্বন্ধ অনুযায়ী বচনক সকল্পক আৰু বিকল্পক এই দুটা ভাগত ভগোৱা হৈছে।

(c) নিৰপেক্ষ বচনত উদ্দেশ্য আৰু বিধেয়ৰ সম্বন্ধটো চৰ্ত সাপেক্ষ নহয়।

(d) 'O' বচনটো বিশেষ নঞৰ্থক।

(e) 'হৰি হয় এজন ভাল ল'ৰা'— বচনটো সামান্য বচন।

(f) 'সূৰ্য পূবপিনে উদয় হয়'— বচনটো বিশেষ বচন।

**9.** অৱধাৰণ আৰু বচনৰ মাজৰ সম্বন্ধ বিতংভাৱে আলোচনা কৰা।

**10.** বচন বুলিলে কি বুজা? বচনৰ বিভিন্ন অংশবোৰ আলোচনা কৰা।

**11.** বচন কি? ইয়াৰ বিভিন্ন অংশবোৰ কি কি? সংযোজকৰ প্ৰকৃতি আলোচনা কৰা।

**12.** তৰ্কবিজ্ঞানসন্মত বচনৰ বিভিন্ন অংশবোৰ উদাহৰণেৰে সৈতে ব্যাখ্যা কৰা।

**13.** গুণ আৰু পৰিমাণ অনুসৰি বচনৰ শ্ৰেণীবিভাগ কৰা। প্ৰত্যেককে উদাহৰণসহ ব্যাখ্যা কৰা।

**14.** বচন কাক বোলে? বচনৰ চতুবৰ্গীয় বিভাজন ব্যাখ্যা কৰা।

**15.** নিশ্চয়তা অনুসৰি বচনৰ শ্ৰেণীবিভাজন কৰা আৰু উপযুক্ত উদাহৰণসহ সিহঁতৰ যিকোনো এটাৰ সংজ্ঞা দিয়া।

**16.** সম্বন্ধ অনুসৰি বচনৰ শ্ৰেণীবিভাগ কৰা। উদাহৰণসহ সাপেক্ষ বচনৰ বিভিন্ন ভাগ ব্যাখ্যা কৰা।

* * *

**তৃতীয় অধ্যায়**

# সাধাৰণ বাক্যক বচনলৈ পৰিৱৰ্তন
## (বচনৰ সৰলীকৰণ)
## (Transformation of ordinary sentences to logical proposition)

তৰ্কবিজ্ঞান হ'ল ভাষাৰে প্ৰকাশিত চিন্তাৰ বিজ্ঞান। এই ভাষাৰ মূল ভিত্তি হ'ল বচনসমূহ। কিন্তু বহু সময়ত আমি আমাৰ চিন্তাসমূহ সাধাৰণ বাক্যৰ দ্বাৰাই প্ৰকাশ কৰো, যি কিছুমান ক্ষেত্ৰত আমাৰ বাবে অস্পষ্ট আৰু অবোধগম্য হৈ পৰে। আমি সাধাৰণতে ব্যৱহাৰ কৰা বাক্যবোৰৰ সকলোতে 'পৰিমাণক', 'উদ্দেশ্য', 'বিধেয়' এই অংশকেইটা স্পষ্ট ৰূপত নাথাকে। সেয়েহে সাধাৰণ বাক্যসমূহক সম্ভৱপৰ ক্ষেত্ৰত এইদৰে যুক্তিপূৰ্ণ বচনৰ স্পষ্ট ৰূপ দিয়াই হ'ল তৰ্কবিজ্ঞানৰ উদ্দেশ্য। বাক্যক এইদৰে বচনৰ ৰূপ দিয়াকে বচন সৰলীকৰণ বুলি কোৱা হয়।

তৰ্কবিজ্ঞানসন্মত বচনসমূহৰ স্পষ্ট ৰূপ বা আকাৰ কেইটা হৈছে— A, E, I আৰু O । আমি সাধাৰণতে ব্যৱহাৰ কৰা বাক্যবোৰৰ অৰ্থ স্পষ্ট আৰু সহজে বুজিব পৰাকৈ গঢ়ি তোলাই হৈছে বচনৰ সৰলীকৰণৰ লক্ষ্য। উদাহৰণ স্বৰূপে এটা বাক্য লোৱা হ'ল—

'মানুহ মৰণশীল'।

এই বাক্যটোৰ অৰ্থ হৈছে— 'সকলো মানুহ মৰণশীল'। ইয়াক তৰ্কবিজ্ঞানসন্মত ৰূপত প্ৰকাশ কৰিলে হ'ব—

'সকলো মানুহ হয় মৰণশীল'।

ইয়াত 'সকলো' পৰিমাণক, 'মানুহ' উদ্দেশ্য, 'হয়' সংযোজক আৰু 'মৰণশীল' বিধেয়।

এইদৰে বাক্যক বচনলৈ নিয়াৰ ক্ষেত্ৰত মনকৰিবলগীয়া কথাকেইটা হৈছে—

(1) বাক্যবোৰ তৰ্কবিজ্ঞান সন্মত A, E, I আৰু O বচনৰ যিকোনো এটা ৰূপলৈ নিব লাগিব।
(2) পৰিবৰ্তন কৰিবলগীয়া বাক্য আৰু পৰিবৰ্তনীয় বচনৰ অৰ্থ একেই থাকিব লাগিব।
(3) বাক্যত উল্লেখ নাথাকিলেও বচনৰ ক্ষেত্ৰত পৰিমাণক, উদ্দেশ্য, সংযোজক, বিধেয় স্পষ্ট ৰূপত ক্ৰম অনুসৰি লিখিব লাগে।
(4) নঞৰ্থক বাক্যত থকা নঞৰ্থক শব্দ বা চিহ্নটো বচনৰ ক্ষেত্ৰত সদায় সংযোজকৰ লগত লিখিব লাগিব, ই বিধেয়ৰ লগত হ'ব নালাগিব। উদাহৰণ স্বৰূপে— 'সিংহই ঘাঁহ নাখায়'। এই

বাক্যটোৰ বচনাত্মক ৰূপ হ'ব এনেধৰণৰ— 'কোনো সিংহ নহয় এনে যি ঘাঁহ খায়।

(5) পৰিমাণক স্পষ্ট ৰূপত উল্লেখ নথকা বাক্যসমূহৰ ক্ষেত্ৰত বাক্যটোৰে প্ৰকাশ কৰা অৰ্থটোলৈ লক্ষ্য কৰি পৰিমাণ নিৰ্দেশক শব্দ ব্যৱহাৰ কৰিব লাগে। যেনে— 'গোটেইবোৰ ছাত্ৰ শ্ৰেণীত উপস্থিত নাই'। ইয়াৰ অৰ্থ হ'ল— 'কিছুমান ছাত্ৰ উপস্থিত আছে আৰু কিছুমান নাই'। কিন্তু প্ৰদত্ত বাক্যটো নঞৰ্থক হোৱা বাবে আমি নঞৰ্থক ৰূপত গ্ৰহণ কৰিব লাগিব। সেইবাবে ইয়াৰ বচনাত্মক ৰূপ হ'ব এনেধৰণৰ— 'কিছুমান ছাত্ৰ নহয় এনে যি শ্ৰেণীত উপস্থিত আছে' (O)।

(6) বাক্যক বচনলৈ ৰূপান্তৰিত কৰাৰ পিছত বচনটোৰ সোঁফালে বা বাওঁফালে— A, E, I আৰু O এইকেইটা বচন চিহ্নৰ যিটো প্ৰযোজ্য সেইটো লিখিব লাগে।

(7) বাক্যক বচনলৈ নিয়াৰ ক্ষেত্ৰত প্ৰয়োজন সাপেক্ষে বিধেয়ৰ আগত 'এনে যি' অথবা 'এনে যিয়ে' আদি শব্দৰ ব্যৱহাৰে বচনটোক অধিক শুৱলা আৰু স্পষ্ট ৰূপত প্ৰকাশ কৰিবলৈ সহায় কৰে।

উদাহৰণ স্বৰূপে— 'প্ৰত্যেক মানুহেই ভুল কৰে' ইয়াক শুৱলা আৰু স্পষ্ট ৰূপত প্ৰকাশ কৰিলে এনেধৰণৰ—

'সকলো মানুহ হয় এনে যিয়ে ভুল কৰে'।

আমি সাধাৰণতে ব্যৱহাৰ কৰা বাক্যবোৰ A, E, I আৰু O বচন কোনটো ৰূপত প্ৰকাশ কৰিব লাগিব তাৰ বাবে কিছুমান নিয়ম গ্ৰহণ কৰিলে আমাৰ বাবে সহজ হয়। এই নিয়মসমূহ তলত দিয়া ধৰণৰ—

1. সকলো, প্ৰত্যেক, সমগ্ৰ, সমস্ত, যিকোনো, যিয়ে আদি শব্দৰে আৰম্ভ হোৱা সদৰ্থক বাক্যবোৰক A বচনলৈ ৰূপান্তৰ কৰিব লাগে। যেনে—

(a) সকলো মানুহেই দ্বিপদী।
A— সকলো মানুহ হয় এনে যি দ্বিপদী।

(b) প্ৰত্যেক সিংহই মাংসহাৰী
A— সকলো সিংহ হয় এনে যি মাংসহাৰী।

(c) সমগ্ৰ ফলেই হয় খাদ্যপ্ৰাণযুক্ত।
A— সকলো ফল হয় এনে যি খাদ্যপ্ৰাণযুক্ত।

(d) যিকোনো লোকেই শিষ্টাচাৰ বুজি পায়।
A– সকলো মানুহ হয় এনে যিসকলে শিষ্টাচাৰ বুজি পায়।

(e) যিয়ে কাঠডাল দাঙিব পাৰিব তেঁৱেই বলবান।
A– সকলো কাঠডাল দাঙিব পৰা লোক হয় এনে যিসকল বলবান।

আনহাতে সকলো, সমস্ত, সমগ্ৰ, যিকোনো, যিয়ে, প্ৰত্যেক আদি শব্দৰে আৰম্ভ হোৱা নঞৰ্থক বাক্যবোৰ O বচনলৈ ৰূপান্তৰ কৰিব লাগে। উদাহৰণ স্বৰূপে—

(i) সকলো খবৰেই সত্য নহয়।
O— কিছুমান খবৰ নহয় সত্য।

(ii) সমগ্ৰ ভাৰতবাসী হিন্দু নহয়।
O— কিছুমান ভাৰতবাসী নহয় হিন্দু।

(iii) যিকোনো মানুহেই সৎ নহয়।
O— কিছুমান মানুহ নহয় সৎ।

2. কোনো কোনো, কিছুমান, কেইটামান,

ভালেমান, অধিকাংশ, বহুতো, প্ৰায় সকলো আদি শব্দৰে আৰম্ভ হোৱা বাক্যবোৰ সদৰ্থক হ'লে I বচনলৈ আৰু নঞৰ্থক হ'লে O বচনলৈ পৰিবৰ্তন কৰিব লাগে।

উদাহৰণ স্বৰূপে—

(i) কোনো কোনো লোকে সামৰিক শাসন সমৰ্থন কৰে।

I— কিছুমান লোক হয় এনে যি সামৰিক শাসন সমৰ্থন কৰে।

(ii) ভালেমান ছাত্ৰই প্ৰথম বিভাগ পাব।

I— কিছুমান ছাত্ৰ হয় এনে যি প্ৰথম বিভাগ পাব।

(iii) অধিকাংশ চৰায়েই উৰিব পাৰে।

I— কিছুমান চৰাই হয় এনে যি উৰিব পাৰে।

(iv) অধিকাংশ সদস্যই সভাত উপস্থিত নাই।

O— কিছুমান সদস্য নহয় এনে যিসকল সভাত উপস্থিত আছে।

(v) এই পুথিভঁৰালৰ প্ৰায় সকলো কিতাপেই ইংৰাজী ভাষাৰ নহয়।

O— কিছুমান কিতাপ এই পুথিভঁৰালৰ নহয় ইংৰাজী ভাষাৰ।

3. যিবোৰ বাক্যত সৰ্বত্ৰ, সৰ্বদা, অৱশ্যে, সম্পূৰ্ণৰূপে আদি শব্দ যুক্ত হয় আৰু সদৰ্থক হয়, তেনে বাক্যক A বচনলৈ ৰূপান্তৰ কৰিব লাগে। আনহাতে, নঞৰ্থক হ'লে O বচনলৈ ৰূপান্তৰ কৰিব লাগে।

উদাহৰণ স্বৰূপে—

(i) এই জিলাৰ বিদ্যালয়সমূহ সম্পূৰ্ণৰূপে চৰকাৰী।

A— সকলো এই জিলাৰ বিদ্যালয় হয় এনে যি চৰকাৰী।

(ii) উদ্যোগপতিসকল অৱশ্যেই বিত্তবান।

A— সকলো উদ্যোগপতি হয় এনে যি বিত্তবান।

(iii) সাধু লোক সৰ্বদা আদৰণীয়।

A— সকলো সাধু লোক হয় আদৰণীয়।

(iv) মানুহবোৰ সম্পূৰ্ণৰূপে শুদ্ধ নহয়।

O— কিছুমান মানুহ নহয় সম্পূৰ্ণ শুদ্ধ।

(v) দুৰ্নীতিপৰায়ণসকল সৰ্বদা সুখী নহয়।

O— কিছুমান দুৰ্নীতিপৰায়ণ নহয় সুখী।

4. বেছিভাগ, প্ৰায়েই, অধিকাংশ ক্ষেত্ৰত, কেতিয়াবা আদি শব্দযুক্ত সদৰ্থক বাক্যসমূহ I বচনলৈ নিব লাগে। আনহাতে, নঞৰ্থক বাক্যসমূহ O বচনলৈ নিব লাগে। উদাহৰণ স্বৰূপে—

(i) বেছিভাগ ছাত্ৰই শিষ্টাচাৰী নহয়।

O— কিছুমান ছাত্ৰ নহয় শিষ্টাচাৰী।

(ii) সাধাৰণতে মানুহ বিবেকবান হয়।

I— কিছুমান মানুহ হয় বিবেকবান।

(iii) অধিকাংশ ক্ষেত্ৰত উৰাবাতৰি সঁচা নহয়।

O— কিছুমান উৰাবাতৰি নহয় সঁচা।

(iv) প্ৰায় মানুহেই বিনোদন ভাল পায়।

I— কিছুমান মানুহ হয় এনে যি বিনোদন ভাল পায়।

5. কেৱল, অকল, একমাত্ৰ আদি শব্দযুক্ত বাক্যবোৰক বচনলৈ ৰূপান্তৰ কৰোতে A, E আৰু I তিনিটা প্ৰকাৰলৈ নিব পাৰি। এনে

শব্দযুক্ত বচনবোৰক ঐকান্তিক বা ব্যৱৰ্তক বচন বোলে। এনে বাক্যক পৰিৱৰ্তন কৰোতে তলত দিয়া কথা কেইটা মন কৰিব লাগে—

(i) A বচনলৈ পৰিৱৰ্তন কৰিবলৈ হ'লে আশ্ৰয় বাক্যৰ উদ্দেশ্য আৰু বিধেয়ৰ স্থান সিদ্ধান্তত পৰিৱৰ্তন কৰা হয়।

(ii) E বচনলৈ পৰিৱৰ্তন কৰোতে আশ্ৰয় বাক্যৰ উদ্দেশ্যৰ বিৰুদ্ধ পদটো সিদ্ধান্তৰ উদ্দেশ্য ৰূপে ব্যৱহাৰ কৰা হয় আৰু সংযোজক নঞৰ্থক ৰূপত প্ৰকাশ কৰা হয়।

(iii) I লৈ পৰিৱৰ্তন কৰিলে কিছুমান শব্দৰে বাক্য আৰম্ভণি কৰিব লাগে।

উদাহৰণ স্বৰূপে—

(a) কেৱল হাইস্কুল উত্তীৰ্ণসকলেই উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ হ'ব পাৰে।

A— সকলো উচ্চতৰ মাধ্যমিক ছাত্ৰ হয় এনে যি হাইস্কুল উত্তীৰ্ণ।

E— কোনো হাইস্কুল অনুত্তীৰ্ণ নহয় উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ।

I— কিছুমান হাইস্কুল উত্তীৰ্ণ লোক হয় উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ।

(b) একমাত্ৰ সৈনিকসকলেই দেশখনক শত্ৰুৰ পৰা ৰক্ষা কৰে।

A— সকলো শত্ৰুৰ পৰা দেশ ৰক্ষা কৰা লোক হয় এনে যিসকল সৈনিক।

E— কোনো অসৈনিক নহয় এনে যিসকল দেশ ৰক্ষা কৰা লোক।

I— কিছুমান সৈনিক হয় দেশ ৰক্ষা কৰা লোক।

6. বাহিৰে, বাদে আদি শব্দযুক্ত বাক্যবোৰৰ ক্ষেত্ৰত যদি বাদ দিয়া অংশটো নিৰ্দিষ্টকৈ দেখুওৱা হয় তেন্তে বচনটো সামান্য ৰূপলৈ নিয়া হয়। আনহাতে, বাদ দিয়া অংশটোৰ স্পষ্ট উল্লেখ নাথাকিলে বচনটোৰ বিশেষ ৰূপ দিয়া হয়। উদাহৰণ স্বৰূপে—

(i) মনোজৰ বাহিৰে সকলো অতিথিয়ে নিমন্ত্ৰণ ৰক্ষা কৰিলে।

A— মনোজৰ বাহিৰে সকলো অতিথি হয় এনে যি নিমন্ত্ৰণ ৰক্ষা কৰিলে।

(ii) এজনক বাদ কৰি সকলো অতিথিয়ে নিমন্ত্ৰণ ৰক্ষা কৰিলে।

I— কিছুমান অতিথি হয় এনে যি নিমন্ত্ৰণ ৰক্ষা কৰিলে।

(iii) পাৰাৰ বাহিৰে সকলো ধাতুৰেই গোটা।

A— পাৰাৰ বাহিৰে সকলো ধাতু হয় গোটা।

7. কম, কমেই, কদাচিৎ, কাচিৎ আদি শব্দযুক্ত বাক্যবোৰক নঞৰ্থক বুলি ধৰা হয়। সেইবাবে এনেবোৰ সদৰ্থক বাক্যক বচনলৈ পৰিৱৰ্তন কৰোতে নঞৰ্থক (O) ৰূপ দিয়া হয়। আনহাতে, এনে শব্দযুক্ত নঞৰ্থক বাক্যবোৰক বিশেষ সদৰ্থক (I) ৰূপ দিয়া হয়।

(i) কমেই মানুহ অন্ধবিশ্বাস মুক্ত।

O— কিছুমান মানুহ নহয় অন্ধবিশ্বাস মুক্ত।

(ii) জ্ঞানী লোকে কদাচিৎ অসত্য নকয়।

I— কিছুমান জ্ঞানী লোক হয় এনে যি অসত্য কয়।

8. 'কোনো নহয়', 'কেতিয়াও নহয়', 'ক'তো

নহয়', 'কোনো উপায়ে নহয়', 'কোনো ক্ষেত্ৰতে নহয়' আদি শব্দযুক্ত নঞৰ্থক বাক্যসমূহক E বচনলৈ ৰূপান্তৰিত কৰিব লাগে। উদাহৰণ স্বৰূপে—

(i) নিঃস্বাৰ্থ লোক ক'তো নাই।
E— কোনো লোক নহয় নিঃস্বাৰ্থ।

(ii) মানুহ কেতিয়াও সম্পূৰ্ণৰূপে সুখী নহয়।
E— কোনো মানুহ নহয় সুখী।

(iii) মৰুভূমিত কেতিয়াও বৰষুণ নহয়।
E— কোনো মৰুভূমি নহয় এনে য'ত বৰষুণ হয়।

9. বিশিষ্ট বচনৰ ক্ষেত্ৰত যদি উদ্দেশ্যটো নিৰ্দিষ্ট বিশিষ্ট পদ হয় আৰু বাক্যটো সদৰ্থক হয় তেন্তে A বচনলৈ আৰু নঞৰ্থক হ'লে E বচনলৈ ৰূপান্তৰ কৰিব লাগে। আনহাতে, উদ্দেশ্যটো অনিৰ্দিষ্ট পদ হ'লে সদৰ্থক বাক্যক I বচনলৈ আৰু নঞৰ্থক বাক্যক O বচনলৈ ৰূপান্তৰ কৰিব লাগে। উদাহৰণ স্বৰূপে—

(i) শংকৰদেৱ ৰাজনীতিবিদ নহয়।
E— শংকৰদেৱ নহয় ৰাজনীতিবিদ।

(ii) মাজুলী পৃথিৱীৰ সৰ্ববৃহৎ নদী দ্বীপ।
A— মাজুলী হয় পৃথিৱীৰ সৰ্ববৃহৎ নদী দ্বীপ।

(iii) এজন বিখ্যাত মানুহ আজিৰ সভাৰ সভাপতি।
I— কিছুমান বিখ্যাত মানুহ হয় আজিৰ সভাৰ সভাপতি।

(iv) এজন মানুহে আমিষ আহাৰ নাখায়।
O— কিছুমান মানুহ নহয় এনে যি আমিষ আহাৰ খায়।

10. কিছুমান ইচ্ছাবোধক, প্ৰশ্নবোধক বা আদেশসূচক বাক্য আছে যাৰ অন্তৰ্নিহিত অৰ্থ স্পষ্ট হৈয়ে থাকে, সেইবোৰৰ অৰ্থ অনুসৰি উপযুক্ত বচনলৈ ৰূপান্তৰ কৰিব লাগে। যেনে—

(i) অসন্তুষ্ট মানুহৰ সুখ ক'ত?
E— কোনো অসন্তুষ্ট মানুহ নহয় এনে যাৰ সুখ আছে।

(ii) ভগৱানে সকলোৰে মংগল কৰক।
A— ভগৱানে সকলোৰে মংগল কৰাটো হয় কাম্য।

(iii) যা, মংগল সাধিব খুজিছ যদি ভাল কাম কৰ্হু
A— মংগলৰ বাবে হয় ভাল কাম কৰণীয়।

(iv) বাঃহু কি সুন্দৰ বাগিচা।
A— বাগিচাখন হয় সুন্দৰ।

11. যিবোৰ বাক্যত পৰিমাণক, স্থান, কাল আদি স্পষ্ট ৰূপত নাথাকে, তেনে বাক্যক অৰ্থ অনুসৰি ৰূপ দিব লাগে আৰু পৰিমাণক, উদ্দেশ্য আদি স্পষ্ট ৰূপত লিখিব লাগে। উদাহৰণ স্বৰূপে—

(i) মানুহ অমৰ নহয়।
E— কোনো মানুহ নহয় অমৰ।

(ii) কমলাবোৰ পকা নহয়।
O— কিছুমান কমলা নহয় পকা।

(iii) সন্ধ্যা লাগিছে।
A— সময়টো হয় সন্ধ্যা।

(iv) বতাহ বলিছে।
A— বতৰটো হয় বতাহপূৰ্ণ।

## পাঠৰ মূলকথা ঃ

1. বাক্যৰ উপাদান শব্দবোৰক ক্ৰম অনুসৰি পৰিমাণক, উদ্দেশ্য, সংযোজক, বিধেয় এইদৰে শৃংখলাবদ্ধ স্পষ্ট ৰূপ দিয়াকে বচনৰ সৰলীকৰণ বুলিব পাৰি।
2. বাক্যক সৰলীকৰণৰ ৰূপ দিওঁতে A, E, I আৰু O বচনলৈ ৰূপান্তৰিত কৰা হয়।
3. বাক্যৰ সৰলীকৰণৰ উদ্দেশ্য হ'ল বাক্যৰ অৰ্থ স্পষ্ট আৰু সহজবোধ্য কৰি তোলা।
4. বাক্যক বচনলৈ ৰূপান্তৰিত কৰাৰ পিছত A, E, I, O এই বচন চিহ্ন কেইটাৰে চিহ্নিত কৰা প্ৰয়োজন।

## অনুশীলনী

**1.** তলত কিছুমান বাক্যক বচনলৈ পৰিৱৰ্তন কৰি দেখুওৱা হ'ল।

(a) সকলো ৰাজহাঁহ বগা নহয়।
O— কিছুমান ৰাজহাঁহ নহয় বগা।

(b) প্ৰত্যেক জন্তুৱেই মাংসভোজী নহয়।
O— কিছুমান জন্তু নহয় মাংসভোজী।

(c) কোনো লিখকেই অজ্ঞানী নহয়।
E— কোনো লিখক নহয় অজ্ঞানী।

(d) একমাত্ৰ ধাৰ্মিকসকলেই নম্ৰ।
A— সকলো নম্ৰ লোক হয় ধাৰ্মিক।
E— কোনো অধাৰ্মিক নহয় নম্ৰ।
I— কিছুমান ধাৰ্মিক হয় নম্ৰ।

(e) মানুহৰ শিক্ষণ কেতিয়াও সম্পূৰ্ণ নহয়।
E— কোনো মানুহৰ শিক্ষণ নহয় সম্পূৰ্ণ।

(f) সাধু লোকৰ বাহিৰে আন কোনো বিশ্বাসী নহয়।
E— সাধু লোকৰ বাহিৰে কোনো লোক নহয় বিশ্বাসী।

(g) কেৱল সৎ ব্যক্তিয়েই বিশ্বাসযোগ্য।
A— সকলো বিশ্বাসযোগ্য ব্যক্তি হয় সৎ।
E— কোনো অসৎ ব্যক্তি নহয় বিশ্বাসযোগ্য।
I— কিছুমান সৎ ব্যক্তি হয় বিশ্বাসযোগ্য।

(h) কোনেনো নিজৰ জন্মস্থান ভাল নাপায়?
A— সকলো লোক হয় এনে যি নিজৰ জন্মস্থান ভাল পায়।

(i) যি চিন্তা কৰিব পাৰে তেওঁৰেই অস্তিত্ব আছে।
A— সকলো চিন্তা কৰিব পৰা ব্যক্তি হয় অস্তিত্বশীল।

(j) কম মানুহেই শাৰীৰিক বাধাগ্ৰস্ত।
O— কিছুমান মানুহ নহয় শাৰীৰিক বাধাগ্ৰস্ত।

(k) কেৱল প্ৰাপ্তবয়স্কসকলহে ভোটাধিকাৰৰ যোগ্য।
A— সকলো ভোটাধিকাৰৰ যোগ্য লোক হয় প্ৰাপ্তবয়স্ক।
E— কোনো অ-প্ৰাপ্তবয়স্ক নহয় ভোটাধিকাৰৰ যোগ্য।
I— কিছুমান প্ৰাপ্তবয়স্ক হয় ভোটাধিকাৰৰ যোগ্য।

**2.** তলত দিয়া বাক্যবোৰ বচনলৈ ৰূপান্তৰ কৰা আৰু উপযুক্ত বচন চিহ্নৰে চিহ্নিত কৰা ঃ

(a) জ্ঞানীসকলে সাধাৰণতে উদাৰ।
(b) বেছিভাগ ছাত্ৰই খেলা-ধূলাতে দক্ষ নহয়।
(c) কেৱল অশিক্ষিতসকলেই কুসংস্কাৰত বিশ্বাসী।

(d) সকলো বিজ্ঞানী আমেৰিকান নহয়।
(e) দয়া এটা মহৎ গুণ।
(f) প্ৰত্যেক ৰোগেই দুৰাৰোগ্য নহয়।
(g) শিক্ষকসকল প্ৰায়েই উদাৰ হয়।
(h) অসৎ লোকক বেয়া নাপায় কোনে?
(i) কম মানুহেই বিবেকবান।
(j) পণ্ডিতসকল সদায়েই নমস্য।
(k) সকলো ছাত্ৰ সমানে দক্ষ নহয়।
(l) অধিকাংশ লোকেই সভাত উপস্থিত নাই।
(m) কেৱল পুৰুষসকলহে মছজিদত সোমাব পাৰে।
(n) মানুহ মাত্ৰেই বুদ্ধি-বৃত্তিসম্পন্ন জীৱ।
(o) এভাৰেষ্ট পৃথিৱীৰ সৰ্বোচ্চ শৃংগ।
(p) প্ৰায় সকলো ভাৰতীয় ধৰ্মভীৰু।
(q) ত্ৰিভুজ কেতিয়াও বৰ্গক্ষেত্ৰ হ'ব নোৱাৰে।
(r) জাতিভেদ প্ৰথাই কেতিয়াও ঐক্য নানে।
(s) জ্ঞানী ব্যক্তি মাত্ৰেই শান্তিপ্ৰিয়।

**3.** খালী ঠাই পূৰণ কৰা ঃ

(a) এটা বচনত অংশসমূহ —— থাকে।
(b) সৰলীকৰণত তৰ্ক বিজ্ঞানসন্মত বচনবোৰ —— ৰূপলৈ নিয়া হয়।
(c) বচনৰ সৰলীকৰণত বাক্য আৰু পৰিৱৰ্তিত বচনৰ —— সলনি নহয়।
(d) বচনৰ ক্ষেত্ৰত নঞৰ্থক চিনটো সদায় ——ৰ লগত লিখা হয়।
(e) বচনৰ ক্ষেত্ৰত প্ৰথমেই ব্যৱহৃত শব্দটো হ'ল ——।
(f) —— উদ্দেশ্য আৰু বিধেয়ৰ মাজত থাকে।
(g) সকলো, প্ৰত্যেক আদি শব্দৰে আৰম্ভ হোৱা নঞৰ্থক বাক্যবোৰক —— বচনলৈ ৰূপান্তৰিত কৰা হয়।
(h) 'কেৱল' শব্দৰে আৰম্ভ হোৱা বাক্যবোৰক —— বচনলৈ ৰূপান্তৰিত কৰা হয়।
(i) 'কমেই' শব্দটো থকা বাক্যবোৰক সদায় —— বচনলৈ নিয়া হয়।

4. চমু উত্তৰ দিয়া ঃ

(a) বাক্যৰ সৰলীকৰণ কাক বোলে? উদাহৰণসহ লিখা।
(b) বাক্য সৰলীকৰণ কৰাৰ পিছত বচনৰ কেইটা আৰু কি কি ৰূপ পোৱা যায়?
(c) সাৰ্বিক পৰিমাণক যুক্ত নঞৰ্থক বাক্যবোৰ কি বচনলৈ ৰূপান্তৰিত কৰা হয়। উদাহৰণসহ লিখা।
(d) কমেই, কাচিৎহে আদি শব্দযুক্ত বাক্যবোৰক কিয় নঞৰ্থক ৰূপ দিয়া হয়?
(e) সকলো প্ৰকাৰৰ বাক্যক বচনলৈ নিওতে পালন কৰিব লগীয়া তিনিটা সাধাৰণ নিয়ম লিখা।
(f) উদ্দেশ্য নিৰ্দিষ্ট বিশিষ্ট পদযুক্ত বাক্যবোৰক কি বচনলৈ পৰিৱৰ্তন কৰিব লাগে? সদৰ্থক আৰু নঞৰ্থক দুয়োটা ৰূপৰ উদাহৰণ লিখা।

* * *

চতুৰ্থ অধ্যায়

# পদৰ ব্যাপ্ততা

# (Distribution of term)

তৰ্কবিজ্ঞানসন্মত বচনসমূহৰ ক্ষেত্ৰত উদ্দেশ্য, বিধেয়, সংযোজক আদি অংশসমূহ সদায় স্পষ্ট আৰু ক্ৰমিক ৰূপত প্ৰকাশ কৰিব লাগে। A, E, I আৰু O এই চাৰি প্ৰকাৰ বচনত ব্যৱহাৰ হোৱা এই উদ্দেশ্য আৰু বিধেয় পদসমূহৰ পৰিমাণগত দিশৰ আলোচনাই হ'ল 'পদৰ ব্যাপ্যতাৰ আলোচনা বিষয়। যেতিয়া এটা পদে ইয়াৰ সমগ্ৰ বাচ্যাৰ্থ বা পৰিমাণ বুজায় তেতিয়া সেই পদটোক ব্যাপ্ত পদ বুলি কোৱা হয়। উদাহৰণ স্বৰূপে 'সকলো মানুহ হয় মৰণশীল'। ইয়াত উদ্দেশ্য পদ 'মানুহ' 'সকলো' পৰিমাণকেৰে চিহ্নিত হৈছে আৰু ই সমগ্ৰ বাচ্যাৰ্থ সূচাইছে। গতিকে এই ক্ষেত্ৰত উদ্দেশ্য পদক ব্যাপ্ত বুলিব পাৰি।

আনহাতে, উদ্দেশ্য বা বিধেয় কোনো এটা পদে যেতিয়া আংশিক বাচ্যাৰ্থ বা পৰিমাণ সূচায় তেতিয়া পদটোক অব্যাপ্ত বুলি কোৱা হয়। উদাহৰণ স্বৰূপে 'কিছুমান বৃক্ষ হয় চিৰ সেউজীয়া'। এই বচনটোত উদ্দেশ্য পদ 'বৃক্ষ'ই আংশিক বাচ্যাৰ্থ সূচাইছে। গতিকে ই অব্যাপ্ত।

তলত তৰ্কবিজ্ঞানসন্মত A, E,I, আৰু O বচনত কোনটো পদ ব্যাপ্ত আৰু কোনটো অব্যাপ্ত তাক আলোচনা কৰা হ'ল।

**1. সামান্য সদৰ্থক বা A বচনত পদৰ ব্যাপ্তি ঃ**

এটা সামান্য সদৰ্থক বা A বচনত উদ্দেশ্য পদে সমগ্ৰ বাচ্যাৰ্থ সামৰি লয়। সেইবাবে A বচনৰ ক্ষেত্ৰত উদ্দেশ্য পদ ব্যাপ্ত বুলি স্বীকৃত হয়। আনহাতে, A বচন এটাৰ বিধেয় পদটো কেৱল উদ্দেশ্য পদটোৰ সম্পৰ্কত স্বীকৃত হয়, উদ্দেশ্য পদটোৰ বাহিৰৰ অংশৰ ক্ষেত্ৰত নহয়। গতিকে বিধেয় পদটোৱে স্বতন্ত্ৰভাৱে যিমান পৰিমাণ সামৰি ল'ব পাৰিলেহেঁতেন, সেই পৰিমাণ কেৱল উদ্দেশ্য পদটো সম্পৰ্কে স্বীকৃত হোৱাৰ লগে লগে কমি যায়। উদাহৰণ স্বৰূপে 'সকলো জন্তু হয় মৰণশীল'। এই বচনটোত 'জন্তু' উদ্দেশ্য পদ ব্যাপ্ত, কাৰণ ই 'সকলো জন্তু' সামৰি লৈছে। আনহাতে, 'মৰণশীল' বিধেয় অব্যাপ্ত। কাৰণ ইয়াক কেৱল 'জন্তু'ৰ ক্ষেত্ৰতহে স্বীকাৰ কৰা হৈছে, বাকীবোৰ জীৱ বা উদ্ভিদৰ ক্ষেত্ৰত নহয়। গতিকে ই অব্যাপ্ত। অৰ্থাৎ সাধাৰণ 'A' বচনৰ ক্ষেত্ৰত উদ্দেশ্য ব্যাপ্ত আৰু বিধেয় অব্যাপ্ত। এই সাধাৰণ A বচনসমূহক বাদ দি আন কিছুমান বচন A বচনৰ অন্তৰ্ভুক্ত হয়। সেই বচনসমূহ হৈছে—

(i) কোনো বস্তু বা প্ৰাণী সম্বন্ধীয় সংজ্ঞা ঃ A— সকলো চতুৰ্ভুজ হয় চাৰিটা বাহুৰে আগুৰা ক্ষেত্ৰ।

(ii) সমব্যাপক উদ্দেশ্য আৰু বিধেয় সংযুক্ত

অথবা উদ্দেশ্য বিধেয় নির্দিষ্ট বিশিষ্ট পদযুক্ত ঃ A— এভাৰেষ্ট হয় পৃথিৱীৰ সৰ্বোচ্চ শৃংগ।
(iii) পুনৰুক্তিমূলক ঃ A— সকলো মানুহ হয় মনুষ্য জাতীয় প্ৰাণী।

এনেবোৰ A বচনৰ ক্ষেত্ৰত উদ্দেশ্য আৰু বিধেয় দুয়োটা পদৰেই পৰিমাণ সমান। সেয়েহে এনে ক্ষেত্ৰত দুয়োটা পদকেই ব্যাপ্ত বুলি ধৰা হয়।

**2. সামান্য নঞৰ্থক বা E বচনত পদৰ ব্যাপ্তি ঃ**

সামান্য নঞৰ্থক বা E বচনৰ ক্ষেত্ৰত উদ্দেশ্য পদটো সমগ্ৰ বাচ্যাৰ্থৰ অৰ্থত গ্ৰহণ কৰা হয়। সেইবাবে ই ব্যাপ্ত। আনহাতে, বিধেয় পদটো নঞৰ্থক বচনৰ বিধেয় বাবে ই উদ্দেশ্যৰ অন্তৰ্ভুক্ত নহয়। উদাহৰণ স্বৰূপে 'কোনো মানুহ নহয় অমৰ'। এই বচনটোত উদ্দেশ্য 'মানুহ' আৰু বিধেয় 'অমৰ' দুয়োটা পদেই ব্যাপ্ত হৈছে। উদ্দেশ্য 'মানুহ' সমগ্ৰ বাচ্যাৰ্থৰ ক্ষেত্ৰত গ্ৰহণ কৰা বাবে ব্যাপ্ত হৈছে। আনহাতে, বিধেয় 'অমৰ' উদ্দেশ্য পদৰ পৰা সম্পূৰ্ণ বহিৰ্ভূত হৈ থাকি সমগ্ৰ জগতৰ মানুহক বুজাইছে। গতিকে বিধেয় ব্যাপ্ত হৈ পৰিছে।

ইয়াৰ পৰা দেখা যায় যে E বচনত উদ্দেশ্য আৰু বিধেয় দুয়োটা পদেই ব্যাপ্ত।

**3. বিশেষ সদৰ্থক বা I বচনত পদৰ ব্যাপ্তি ঃ**

এটা I বচনৰ উদাহৰণ হ'ল— 'কিছুমান মানুহ হয় জ্ঞানী'। এই বচনটোৰ উদ্দেশ্য পদ 'মানুহ' অব্যাপ্ত কাৰণ ই 'কিছুমান' পৰিমাণকেৰে নিৰ্দেশিত হৈ আংশিক বাচ্যাৰ্থ সূচাইছে। আনহাতে, বিধেয় পদ 'জ্ঞানী' কিছুমানৰ ক্ষেত্ৰত স্বীকাৰ কৰা হৈছে। অৰ্থাৎ বচনটো বিশ্লেষণ কৰিলে এনে হ'ব— 'কিছুমান মানুহ হয় কিছুমান জ্ঞানী জীৱ'। গতিকে ইয়াত বিধেয় পদো অব্যাপ্ত। অৰ্থাৎ I বচনত উদ্দেশ্য আৰু বিধেয় উভয়েই অব্যাপ্ত।

**4. বিশেষ নঞৰ্থক বা O বচনত পদৰ ব্যাপ্তি ঃ**

এটা O বচনৰ উদাহৰণ হ'ল— 'কিছুমান মানুহ নহয় সাধু'। এই বচনটোৰ উদ্দেশ্য পদ 'মানুহ' 'কিছুমান' পৰিমাণকেৰে নিৰ্দেশিত হৈ অব্যাপ্ত হৈছে। আনহাতে, নঞৰ্থক বচনটো বিধেয় পদ 'সাধু' উদ্দেশ্য পদৰ বহিৰ্ভূত হৈ থাকি সমগ্ৰ বাচ্যাৰ্থক সূচাইছে। গতিকে ই ব্যাপ্ত হৈ পৰিছে। এতেকে O বচনৰ ক্ষেত্ৰত উদ্দেশ্য অব্যাপ্ত। আনহাতে, বিধেয় ব্যাপ্ত।

প্ৰদত্ত আলোচনাৰ পৰা আমি কিছুমান সিদ্ধান্ত গ্ৰহণ কৰিব পাৰো। সেইকেইটা হ'ল—

(i) সামান্য সদৰ্থক বা A বচনত উদ্দেশ্য ব্যাপ্ত বিধেয় অব্যাপ্ত।
(ii) সামান্য নঞৰ্থক বা E বচনত উদ্দেশ্য বিধেয় দুয়োটা ব্যাপ্ত।
(iii) বিশেষ সদৰ্থক বা I বচনত উদ্দেশ্য বিধেয় এটাও ব্যাপ্ত নহয়।
(iv) বিশেষ নঞৰ্থক বা O বচনত উদ্দেশ্য অব্যাপ্ত, আনহাতে বিধেয় ব্যাপ্ত।

**প্ৰদত্ত সিদ্ধান্তসমূহক বুজাব পৰা অন্য ৰূপ এনেধৰণৰ হ'ব ঃ**

(i) সামান্য বচনত উদ্দেশ্য পদ ব্যাপ্ত।
(ii) নঞৰ্থক বচনত বিধেয় পদ ব্যাপ্ত।

**'বচনত পদৰ ব্যাপ্ততা' এই ধাৰণাটো**


**আমি চিত্ৰৰ সহায়ত এনেদৰে প্ৰকাশ কৰিব পাৰো ঃ**

(i) A বচন




সকলো মানুহ হয় মৰণশীল

(ii) E বচন





কোনো মানুহ নহয় অমৰ

(iii) I বচন




কিছুমান মানুহ হয় জ্ঞানী

(iv) O বচন




কিছুমান মানুহ নহয় সাধু

প্ৰদত্ত চিত্ৰসমূহৰ প্ৰথম চিত্ৰত উদ্দেশ্য 'সকলো মানুহে' মৰণশীলতাৰ এটা অংশ দখল কৰিছে। গতিকে উদ্দেশ্য ব্যাপ্ত বিধেয় অব্যাপ্ত। দ্বিতীয় চিত্ৰত 'মানুহ' আৰু 'অমৰ' দুয়োটাই প্ৰত্যেকৰ পৰা বহিৰ্ভূত, গতিকে ইয়াত দুয়োটাৰে পৰিমাণ সমান হৈ আছে, গতিকে দুয়োটা ব্যাপ্ত। তৃতীয় চিত্ৰত 'মানুহ' আৰু 'জ্ঞানী' দুয়োটাৰে নিৰ্দিষ্ট অংশহে এটাই আনটোক অন্তৰ্ভুক্ত কৰিছে. গতিকে ইয়াত উদ্দেশ্য আৰু বিধেয় এটাও সম্পূৰ্ণ বাচ্যাৰ্থ প্ৰকাশ নকৰি অব্যাপ্ত হৈ ৰৈছে। চতুৰ্থ চিত্ৰত 'মানুহ' উদ্দেশ্য পদৰ এটা অংশ 'সাধু' বিধেয় পদৰ অন্তৰ্ভুক্ত হৈ আছে। অৰ্থাৎ 'মানুহ' উদ্দেশ্যৰ এটা অংশ সমগ্ৰ 'সাধু' শ্ৰেণীৰ পৰা বাহিৰত আছে। অৰ্থাৎ ইয়াত উদ্দেশ্য অব্যাপ্ত আৰু বিধেয় ব্যাপ্ত।

## পাঠৰ মূলকথা ঃ

(i) তৰ্কবিজ্ঞানসন্মত A, E, I আৰু O বচনৰ উদ্দেশ্য আৰু বিধেয় পদৰ পৰিমাণ বা বাচ্যাৰ্থৰ আলোচনাই পদৰ বিস্তৃতিকৰণৰ মূল বিষয়।

(ii) এটা ব্যাপ্ত পদে ইয়াৰ সম্পূৰ্ণ বাচ্যাৰ্থ সামৰি লয়।

(iii) এটা অব্যাপ্ত পদে ইয়াৰ আংশিক বাচ্যাৰ্থহে সূচায়।

(iv) সামান্য সদৰ্থক বা A বচনত উদ্দেশ্য ব্যাপ্ত বিধেয় অব্যাপ্ত। অৱশ্যে, নিৰ্দিষ্ট, বিশিষ্ট, সংজ্ঞামূলক আদি A বচনৰ ক্ষেত্ৰত দুয়োটা পদেই ব্যাপ্ত হয়।

(v) সামান্য নঞৰ্থক বা E বচনত উদ্দেশ্য আৰু বিধেয় দুয়োটাই ব্যাপ্ত।

(vi) বিশেষ সদৰ্থক বা I বচনত এটাও পদ ব্যাপ্ত নহয়।

(vii) বিশেষ নঞৰ্থক বা O বচনত বিধেয় ব্যাপ্ত।

(viii) সামান্য বচনৰ উদ্দেশ্য পদ ব্যাপ্ত হয়।

(ix) এটা বচনৰ উদ্দেশ্য পদৰ পৰিমাণ ইয়াৰ সন্মুখত ব্যৱহাৰ হোৱা পৰিমাণকৰ দ্বাৰা নির্দেশিত হয়।

(x) সদর্থক বচন এটাৰ বিধেয় পদ সদায় অব্যাপ্ত হয়।

(xi) নঞর্থক বচন এটাৰ বিধেয় পদ সদায় ব্যাপ্ত হয়।

## অনুশীলনী

**1.** তলত দিয়া বাক্যসমূহক বচনলৈ ৰূপান্তৰ কৰা আৰু ব্যাপ্ত পদ বাচি উলিয়াই আঁচ টানি দেখুওৱা।

(a) ধনী মানুহবোৰ সাধাৰণতে নম্র হয়।

(b) কেইজনমানৰ বাহিৰে সভাত সকলো সদস্যই উপস্থিত আছে।

(c) সকলো নাগৰিক দেশপ্রেমিক নহয়।

(d) কোনো সিংহ নহয় দ্বি-পদী।

(e) কেৱল দৃঢ়মনৰ লোকসকলেই বিপদৰ সন্মুখীন হ'ব পাৰে।

(f) অতি কম মানুহেই নিঃস্বার্থ।

(g) কাচিৎহে মানুহৰ অনুশোচনা হয়।

(h) শান্তি সকলোৰে কাম্য।

(i) সত্ৰৰ সকলো কেউলীয়া ভকতেই অবিবাহিত।

(j) অধিকাংশ বিদ্যার্থীয়েই ইংৰাজী টান পায়।

(k) পৰাধীনতা কোনেনো ভাল পায়?

(l) সৎ ব্যক্তিসকল বিশ্বাসযোগ্য হয়।

**2.** তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়া ঃ

(a) 'পদৰ ব্যাপ্ততা'ৰ আলোচ্য বিষয় কি?

(b) পদৰ ব্যাপ্ততা বা অব্যাপ্ততা বুলিলে কি বুজা?

(c) এটা বিশেষ সদর্থক বা I বচনত কি পদ ব্যাপ্ত?

(d) বচন এটা নঞর্থক হ'লে কি পদ ব্যাপ্ত হয়?

(e) 'কোনো উদ্ভিদ সর্বভোজী নহয়', এই বচনটোত দুয়োটা পদ ব্যাপ্ত হয়নে?

(f) এটা উদ্দেশ্য পদ ব্যাপ্ত বচনৰ উদাহৰণ দিয়া।

(g) সামান্য বচনত উদ্দেশ্য পদৰ সম্পূর্ণ বাচ্যার্থ/ লক্ষণার্থ বিবেচনা কৰা হয়।

(h) সামান্য বচনত কেৱল 'উদ্দেশ্য' পদেই ব্যাপ্ত। এই উক্তিটো সত্যনে? নহয় যদি উদাহৰণসহ বুজাই লিখা।

(i) এটা নির্দিষ্ট বিশিষ্ট পদযুক্ত A বচনত কেৱল উদ্দেশ্য ব্যাপ্ত হয়নে? নহয় যদি কিয়?

(j) উদ্দেশ্য পদ ব্যাপ্ত হয় সার্বিক/ বিশেষ বচনত।

(k) এটা বচনৰ উদ্দেশ্যৰ পৰিমাণ কিহৰ দ্বাৰা নির্ণয় কৰা হয়?

**3.** 'নঞর্থক বচনত দুয়োটা পদেই ব্যাপ্ত' উদাহৰণসহ বুজাই লিখা।

**4.** উদাহৰণসহ বুজাই লিখা ঃ

(a) সামান্য বচনত উদ্দেশ্য ব্যাপ্ত হয়।

(b) O বচনত কেৱল বিধেয়হে ব্যাপ্ত।

(c) I বচনত এটাও পদ ব্যাপ্ত নহয়।

* * *

পঞ্চম অধ্যায়

# বচনৰ আধুনিক শ্ৰেণীবিভাজন
# (Modern Classification of Propositions)

বচনৰ স্বৰূপ সম্বন্ধে আমি কিছুমান কথা জানিব পাৰিছো। এতিয়া আমি বচনৰ আধুনিক শ্ৰেণীবিভাজনৰ বিষয়ে আলোচনা কৰো। তৰ্কবিজ্ঞানৰ বাটকটীয়া এৰিষ্ট'টলৰ দিনৰে পৰা বচনৰ গুণ, পৰিমাণ, গঠন আদিৰ ভিত্তিত যি শ্ৰেণীবিভাজন কৰি অহা হৈছে তাক পৰম্পৰাগত শ্ৰেণীবিভাজন বোলা হয়। কিন্তু আধুনিক তৰ্কবিজ্ঞানীসকলে বচনৰ পৰম্পৰাগত শ্ৰেণীবিভাজন সম্পূৰ্ণভাৱে অসন্তোষজনক বুলি মত প্ৰকাশ কৰে। তেওঁলোকৰ মতে পৰম্পৰাগত শ্ৰেণীবিভাজন অসম্পূৰ্ণ আৰু অপৰ্যাপ্ত বিশ্লেষণৰ ওপৰত প্ৰতিষ্ঠিত। সেই কাৰণে আধুনিক তৰ্কবিজ্ঞানীসকলে এক নতুন প্ৰকাৰৰ বচনৰ শ্ৰেণীবিভাজন দাঙি ধৰিছে। এই নতুন প্ৰকাৰৰ বচনৰ শ্ৰেণীবিভাজনকে বচনৰ আধুনিক শ্ৰেণীবিভাজন বোলা হয়। আধুনিক তৰ্কবিজ্ঞানী সকলৰ মতে বচন হ'ল এনে এটা উক্তি যি সত্য বা অসত্য হয় অৰ্থাৎ যি উক্তিৰ সত্যমূল্য থাকে তাকেই বচন বোলে। তেওঁলোকে বচনৰ গঠন আৰু বচনত ব্যৱহাৰ হোৱা উপাদানসমূহৰ সাংগঠনিক বৈশিষ্ট্য আদিলৈ লক্ষ্য কৰি সমূহ বচনকে মুঠতে তিনিটা ভাগত ভাগ কৰিছে। সেইসমূহ হ'ল—

1. সৰল বচন (Simple Proposition)
2. যৌগিক বচন (Compound Proposition)
3. সাধাৰণ বচন (General Proposition)

ক্ৰম অনুযায়ী বচনসমূহৰ আলোচনা কৰা যাওক ঃ—

## 2.5.1. সৰল বচন (Simple Proposition) ঃ

যি বচনত এটা মাত্ৰ উক্তি প্ৰকাশিত হয় তাকে সৰল বচন বোলে। অন্য কথাত ক'বলৈ হ'লে যি বচনক বিশ্লেষণ কৰিলে উপাদানৰূপে কেৱল এটা উক্তি বা বচনেই পোৱা যায়, সিয়েই সৰল বচন। উদাহৰণ স্বৰূপে— 'শংকৰদেৱ হয় এজন মহাপুৰুষ' ইয়াত শংকৰদেৱ সম্পৰ্কে এটা উক্তি বা কথা প্ৰকাশ পাইছে। বচনসমূহৰ ভিতৰত সৰল বচন হ'ল ক্ষুদ্ৰতম বচন। সেয়ে এনে বচনক আন কোনো বচনলৈ বিশ্লেষণ কৰিব নোৱাৰি। গতিকেই সৰল বচনক পাৰমাণৱিক বচন (Atomic Proposition) বুলিও ক'ব পাৰি।

সৰল বচন চাৰি প্ৰকাৰৰ—

(a) উদ্দেশ্যবিহীন বচন (Subject less Proposition)

(b) উদ্দেশ্য-বিধেয় আকাৰ বচন (Subject

predicate form Proposition)

(c) সমন্ধাত্মক বচন (Relational Proposition)

(d) শ্ৰেণী সদস্যতামূলক বচন (Class membership Proposition)

**(a) উদ্দেশ্যবিহীন বচন ঃ** যি সৰল বচনত উদ্দেশ্য পদটো স্পষ্টকৈ নাথাকে বা উহ্য হৈ থাকে তাকে উদ্দেশ্যবিহীন বচন বোলে। যেনে—

জুই!

বৰষুণ!

যোৱা!

**(b) উদ্দেশ্য-বিধেয় আকাৰ বচন ঃ** যি সৰল বচনত স্পষ্টকৈ এটা উদ্দেশ্য পদ, এটা বিধেয় পদ থাকে আৰু য'ত বিধেয় পদে উদ্দেশ্য পদৰ গুণ বা বৈশিষ্ট্য সাব্যস্ত কৰে (সদৰ্থক বা নঞৰ্থক যিকোনো ৰূপত) তাকে উদ্দেশ্য-বিধেয় আকাৰ বচন বোলে। যেনে—

ছক্ৰেটিছ হয় জ্ঞানী।

লাচিত বৰফুকন হয় সাহসী।

**(c) সমন্ধাত্মক বচন ঃ** যি সৰল বচনত বচনটোৰ অন্তৰ্গত উপাদানসমূহৰ মাজত থকা সম্বন্ধ প্ৰকাশ পায় তাকে সমন্ধাত্মক বচন বালে। যেনে—

মেকুৰীয়ে মাছ ভাল পায়।

শিক্ষকে ছাত্ৰক তৰ্কবিজ্ঞান শিকায়।

ওপৰৰ বচন কেইটাত 'মেকুৰী' আৰু 'মাছ'ৰ সম্পৰ্ক ভাল পোৱাৰ দ্বাৰা, 'শিক্ষক' আৰু 'ছাত্ৰ'ৰ সম্বন্ধ শিক্ষাদানৰ দ্বাৰা প্ৰকাশ কৰা হৈছে। এই ক্ষেত্ৰত যি যি উপাদান পদৰ মাজত সমন্ধ প্ৰকাশ কৰা হয় সেইসমূহক সমন্ধসূচক পদ বোলা হয়।

**(d) শ্ৰেণী সদস্যতামূলক বচন ঃ** যি সৰল বচনত কোনো ব্যক্তি, বস্তু বা বিষয়, এটা শ্ৰেণীৰ অন্তৰ্ভূক্ত সদস্যৰূপে প্ৰকাশ কৰা হয় তাকে শ্ৰেণী সদস্যতামূলক বচন বোলে। যেনে—

ড° ভূপেন হাজৰিকা এজন সংগীতজ্ঞ।

ৰুদ্ৰসিংহ এজন ৰজা আছিল।

বচনকেইটাত ড° ভূপেন হাজৰিকা সংগীতজ্ঞ শ্ৰেণীটোৰ এজন সদস্যৰূপে দেখুওৱা হৈছে আৰু ৰুদ্ৰসিংহক 'ৰজা' শ্ৰেণীৰ সদস্যৰূপে দেখুওৱা হৈছে।

## 2.5.2 যৌগিক বচন (Compound Proposition) ঃ

দুই বা তাতোধিক সৰল বচন সংযোজন কৰি একক ৰূপত যি বচন গঠন কৰা হয়, তাকে যৌগিক বচন বোলে। যেনে— ড° ভবেন্দ্ৰ নাথ শইকীয়া এজন নাট্যকাৰ আৰু ঔপন্যাসিক।

ওপৰৰ উদাহৰণটোত 'আৰু' সংযোজকৰ দ্বাৰা দুটা সৰল বচন— '(i) ড° ভবেন্দ্ৰ নাথ শইকীয়া হয় এজন নাট্যকাৰ আৰু (ii) ড° ভবেন্দ্ৰ নাথ শইকীয়া হয় এজন ঔপন্যাসিক'ক সংযোগ কৰি এটা বচনৰ ৰূপত প্ৰকাশ কৰা হৈছে। যৌগিক বচনত যিহেতু উপাদানৰূপে এটাতকৈ বেছি সৰল বচন নিহিত হৈ থাকে; গতিকে এনে বচনক আণৱিক বচনো (Molecular Proposition) বোলা হয়। যৌগিক বচন চাৰি প্ৰকাৰৰ—

(a) সংযোজক বচন (Conjunctive Proposition)

(b) নিহিতাৰ্থক বচন (Implicative Proposition)

(c) বিয়োজক বচন (Disjunctive Proposition)
(d) বৈকল্পিক বচন (Alternative Proposition)

**(a) সংযোজক বচন ঃ** যি যৌগিক বচনত দুটা সৰল বচনক 'আৰু', 'কিন্তু' আদি শব্দৰ দ্বাৰা সংযোগ কৰি গঠন কৰা হয় তাকে সংযোজক বচন বোলে। যেনে— আকবৰ এজন জ্ঞানী ৰজা আৰু তানসেন এজন সুগায়ক আছিল।

কবীৰ এজন সমাজ সংস্কাৰক কিন্তু তেওঁ নিৰক্ষৰ আছিল।

**(b) নিহিতাৰ্থক বচন ঃ** যি যৌগিক বচনত দুটা সৰল বচনক 'যদি........তেন্তে' শব্দ দুটাৰ দ্বাৰা সংযোগ কৰি গঠন কৰা হয় তাকে নিহিতাৰ্থক বচন বোলে। যেনে— যদি অসমৰ জনগণ কৰ্মপটু হয় তেন্তে অসমৰ উন্নতি হ'ব।

এনে বচনত 'যদি'ৰ পিছৰ অংশক পূৰ্বৱৰ্তী আৰু 'তেন্তে'ৰ পিছৰ অংশক পৰৱৰ্তী বা অনুৱৰ্তী বোলা হয়। এই ক্ষেত্ৰত পূৰ্বৱৰ্তী অংশই অনুৱৰ্তী অংশক নিৰ্দেশ কৰে। ইয়াত নিৰ্দেশ কৰা অংশক সমন্ধক আৰু যিটো অংশক নিৰ্দেশ কৰে সেই অংশক সংশ্লিষ্ট বা নিহত বোলে।

**(c) বিয়োজক বচন ঃ** যি যৌগিক বচনত দুটা সৰল বচনক 'বা', 'অথবা', 'নাইবা' আদি শব্দৰ দ্বাৰা সংযোগ কৰা হয় আৰু অভিব্যাপি অৰ্থত প্ৰকাশ কৰা হয় তাকে বিয়োজক বচন বোলে। যেনে—

হয় তুমি মাছ খোৱা নাইবা মাংস খোৱা।

ৰাতুল অহংকাৰী নহয় নাইবা দুষ্টও নহয়।

এনে বচনত অভিব্যাপিৰ অৰ্থ হ'ব— হয়........ নহয়........ আৰু উভয়েই। অৰ্থাৎ যিকোনো এটা একান্তৰ (এটা অংশ) বা উভয় একান্তৰ সত্য বা একেলগে অসত্য হ'ব পাৰে।

**(d) বৈকল্পিক বচন ঃ** যি যৌগিক বচনত দুটা সৰল বচনক 'বা, অথবা, নাইবা' হয়....... নহয় আদি শব্দৰ দ্বাৰা সংযোগ কৰা হয় আৰু বচনটো ঐকান্তিক অৰ্থত প্ৰকাশ কৰা হয় তাকে বৈকল্পিক বচন বোলে। যেনে—

হয় শ্বেক্সপিয়েৰ পুৰুষ নহয় মহিলা।

খেলখনত ভাৰত অথবা অষ্ট্ৰেলিয়া জিকিব।

এনে বচনত ঐকান্তিকৰ অৰ্থ হ'ব— হয়.....নহয়......আৰু কিন্তু উভয়েই নহয়। অৰ্থাৎ যিকোনো এটা একান্তৰ সত্য হ'ব, উভয়েই নহয়।

## 2.5.3 সাধাৰণ বচন (General Proposition) ঃ

শ্ৰেণী সম্পৰ্কীয় বচনেই মুলতঃ সাধাৰণ বচন। ইয়াৰ উপৰিও যি বচনত কোনো বস্তুৰ অস্তিত্ব নাইবা সকলো বস্তু সম্পৰ্কত কোনো গুণ বা ধৰ্মক স্বীকাৰ বা অস্বীকাৰ কৰা হয় নাইবা দুটা শ্ৰেণীৰ মাজত সম্বন্ধ স্থাপন কৰা হয় তাকে সাধাৰণ বচন বোলে। যেনে—

(i) গঁড় আছে
(ii) সকলো বস্তু পৰিৱৰ্তনশীল
(iii) সকলো দাৰ্শনিক হয় মানুহ

সাধাৰণ বচন তিনি প্ৰকাৰৰ—

(a) অস্তিত্বমূলক সাধাৰণ বচন
(b) এক বিধেয়যুক্ত সাধাৰণ বচন
(c) শ্ৰেণী সম্পৰ্কীয় সাধাৰণ বচন

**(a) অস্তিত্বমূলক সাধাৰণ বচন ঃ** যি সাধাৰণ

বচনত কোনো বস্তুৰ অস্তিত্ব স্বীকাৰ বা অস্বীকাৰ কৰা হয় তাকে অস্তিত্বমূলক সাধাৰণ বচন বোলে। যেনে—

গঁড় আছে।

কোনো দেৱতা নাই।

বচনকেইটাৰ অৰ্থ হৈছে যে এই পৃথিৱীত গঁড়ৰ অস্তিত্ব আছে আৰু দেৱতাৰ অস্তিত্ব নাই।

**(b) এক বিধেয়যুক্ত সাধাৰণ বচন ঃ** যি সাধাৰণ বচনত এই জগতৰ সকলো বস্তু সম্পৰ্কে কোনো গুণ বা ধৰ্মক স্বীকাৰ বা অস্বীকাৰ কৰা হয় তাকে এক বিধেয় যুক্ত সাধাৰণ বচন বোলে। যেনে—

সকলো বস্তু গতিশীল।

এনে বচনত উদ্দেশ্য পদৰ স্থানত যিকোনো বস্তুকে গ্ৰহণ কৰিব পাৰি, কিন্তু বিধেয় পদ ‘গতিশীল’ সকলোৰে লগত সংযুক্ত হ’ব; কিয়নো জগতৰ যিকোনো বস্তুৱেই গতিশীল। গতিকে এটা বিধেয় পদেই যিকোনো উদ্দেশ্য পদ সামৰিব অৰ্থাৎ উদ্দেশ্য সলনি হ’লেও বিধেয় এটাই হ’ব।

**(c) শ্ৰেণী সম্পৰ্কীয় সাধাৰণ বচন ঃ** শ্ৰেণী সম্পৰ্কীয় সাধাৰণ বচনত দুটা শ্ৰেণীৰ বা জাতিৰ মাজত সাৰ্বিক বা আংশিক অন্তৰ্ভূক্তি অথবা বহিষ্কৰণৰ সম্পৰ্ক প্ৰকাশিত হয় তাকে শ্ৰেণী সম্পৰ্কীয় সাধাৰণ বচন বোলে।

এনে বচন চাৰিটা ভাগত ভগাব পাৰি। যেনে—

(a) সকলো দাৰ্শনিক হয় মানুহ।

(b) কোনো মানুহ নহয় দেৱতা।

(c) কিছুমান মানুহ হয় পৰিশ্ৰমী।

(d) কিছুমান ৰাজনীতিবিদ নহয় ধাৰ্মিক।

ওপৰৰ উদাহৰণ কেইটাও দুটা শ্ৰেণীৰ মাজত পৰিমাণগত দিশত অন্তৰ্ভুক্তি বা বহিষ্কৰণ দেখুওৱা হৈছে।

## পাঠৰ মূলকথা ঃ

1. আধুনিক তৰ্কবিদসকলে বচনৰ পৰম্পৰাগত শ্ৰেণীবিভাজন গ্ৰহণ কৰা নাই।
2. বচনৰ আধুনিক শ্ৰেণীবিভাজনে বচনত ব্যৱহাৰ হোৱা উপাদানসমূহৰ সাংগঠনিক বৈশিষ্ট্যৰ ওপৰত গুৰুত্ব দিয়ে।
3. বচন মূলতঃ তিনি প্ৰকাৰৰ— সৰল, যৌগিক আৰু সাধাৰণ।
4. কেৱল এটা উক্তি বিশিষ্ট বচনেই হ’ল সৰল বচন। গতিকে সৰল বচনক পাৰমাণৱিক বচন বোলা হয়। আনহাতে যৌগিক বচনত এটাতকৈ বেছি সৰল বচন উপাদানৰূপে থাকে আৰু সেয়ে এনে বচনক আণৱিক বচন বোলা হয়।
5. সৰল আৰু যৌগিক বচনৰ চাৰিটাকৈ প্ৰকাৰ আছে—

সৰল ঃ (a) উদ্দেশ্যবিহীন
(b) উদ্দেশ্য-বিধেয়-আকাৰ
(c) সমন্ধাত্মক
(d) শ্ৰেণীসদস্যতামূলক।

যৌগিক ঃ (a) সংযোজক
(b) নিহিতাৰ্থক
(c) বিয়োজক
(d) বৈকল্পিক।

6. সাধাৰণ বচন শ্ৰেণী সম্পৰ্কীয় বচন। এনে

বচন সৰল নাইবা যৌগিক বচনৰ পৰা সম্পূৰ্ণ পৃথক।

(a) ই সৰল বচনৰ পৰা পৃথক, কিয়নো সৰল বচনৰ (শ্ৰেণীসদস্যতামূলক বচন) দৰে সাধাৰণ বচনত কেৱল বিধেয় পদটোৱেই এটা শ্ৰেণী নহয়, উদ্দেশ্য আৰু বিধেয় দুয়োটা পদেই এটা এটা শ্ৰেণী বুজায়।

(b) ই যৌগিক বচনৰ পৰাও পৃথক, কিয়নো যৌগিক বচনৰ দৰে এনে বচনত সৰল বচন উপাদানৰূপে নাথাকে।

(c) সাধাৰণ বচনত সৰল বচনৰ দৰে বিধেয় পদটোৱে উদ্দেশ্য পদটোৰ কেৱল গুণ প্ৰকাশ (বিধেয়ন) নকৰে। উদ্দেশ্য আৰু বিধেয়ৰ দুটা শ্ৰেণীৰ মাজত সম্পৰ্কহে প্ৰকাশ কৰে।

(d) সাধাৰণ বচনত দুটা শ্ৰেণীৰ মাজত পৰিমাণগত দিশত অন্তৰ্ভূক্তি বা বহিষ্কৰণৰ সম্পৰ্ক প্ৰকাশ হয়।

## <u>অনুশীলনী</u>

**1.** উত্তৰ দিয়া ঃ

(a) এৰিষ্ট'টল আধুনিক তৰ্কবিদ হয়নে?

(b) আধুনিক তৰ্কবিদসকলে কি কি কথাৰ ওপৰত ভিত্তি কৰি বচনৰ শ্ৰেণীবিভাজন কৰিছে?

(c) বচনত মূলতঃ কেইপ্ৰকাৰৰ?

(d) সৰল বচন কেইপ্ৰকাৰৰ?

(e) শ্ৰেণী সদস্যতামূলক বচন আৰু সাধাৰণ বচন একেইনে? যদি নহয় দুটা পাৰ্থক্য উল্লেখ কৰা।

(f) সাধাৰণ বচন মূলতঃ কেনেধৰণৰ বচন? সাধাৰণ বচন কেইপ্ৰকাৰত ভাগ কৰিব পাৰি?

(g) যৌগিক বচন আৰু সাধাৰণ বচনৰ মূল পাৰ্থক্যটো কি?

(h) 'সকলো মানুহ হয় বুদ্ধিবৃত্তিসম্পন্ন'— ই কি বচনৰ উদাহৰণ?

(i) চোৰ!— ই বচননে?

(j) বিকল্পাত্মক বচনত 'অথবা' শব্দটো কি অৰ্থত লোৱা হয়?

**2.** শুদ্ধ উত্তৰ নিৰ্ণয় কৰা ঃ

(a) গুণ আৰু পৰিমাণৰ মিশ্ৰনীতি অনুসৰি আধুনিক তৰ্কবিদসকলে বচনৰ শ্ৰেণীবিভাজন কৰে/ নকৰে।

(b) সৰল বচন তিনি/ চাৰি প্ৰকাৰৰ।

(c) বৈকল্পিক বচনত 'অথবা' শব্দটো অভিব্যাপী/ ঐকান্তিক অৰ্থত লোৱা হয়।

(d) যৌগিক বচনক আণৱিক/ পাৰমাণৱিক বচন বোলা হয়।

(e) অস্তিত্ব বুজোৱা বচনসমূহ যৌগিক/ সাধাৰণ/ সৰল বচন।

* * *